# মোৰ দিনলিপিৰ ভাষাৰে কলেজৰ এটি পাহৰিব নোৱাৰা স্মৃতি

গৌৰৱজোতি বড়ো
তৃতীয় যাণ্মাসিক

স্কুল পঢ়ি পঢ়ি কলেজ আহি পালো। কলেজ আহি মানুহ ভাল হয়, পঢ়াত আগুবাই। মই কিন্তু বেয়াহে হলো। পঢ়াত আগতকৈ পিছুবাইহে পৰিলো। কিতাপ মেলি বিচনাত বহো দুটামান শব্দ পঢ়িয়ে ভাগৰি পৰো। অ'হ মই টেবুলত পঢ়ি একদম ভাল নাপাও মানে, কিন্তু বিচনাত পঢ়িনো ক'ত উন্নতি হৈছে তথাপি ভাল লাগে আৰু ...।

কলেজীয়া জীৱনৰ সকলোৰে কিছুমান মিঠা স্মৃতি থাকে, যিবোৰ বৃদ্ধ অৱস্থাত ভাবি সকলোৱে হাঁহে আৰু স্মৃতি সোঁৱৰি এক ব্যতিক্ৰমী সুখ লাভ কৰে। তোমালোক/আপোনালোকৰো আছে নিশ্চয়। মোৰো আছে, তাৰে দুটামান পঢ়োতাজনৰ লগত শেয়াৰ কৰিব বিচাৰিছো। তোমালোক/আপোনালোকৰো পিছলৈ পঢ়িব পাম বুলি আশা ৰাখিলো।

মোৰ কলেজীয়া জীৱনৰ ছাত্ৰ একতা সভাৰ কাৰ্যকালৰ ভিতৰত হোৱা কেইটামান মিঠা আৰু হাঁহিবলগীয়া স্মৃতি ক'বলৈ ওলাইছো।

আজি ......... তাৰিখ। কলেজৰ অফিচ ৰুমত ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ ফৰ্ম দি আছে। মই ৰাজনীতি বিৰাটেই বেয়া পাও। ইলেকচন খেলাৰ কথাই আহি নপৰে। তথাপি এই কচু, পাগল বন্ধু কেইটাই ফৰ্ম আনি দিলে আৰউ মোৰ পিছৰফালে থিয় হৈ যিতুহে ভাষণবাজি দিব ধৰিলে নহয় সিহঁতৰ মনৰ ইচ্ছা পূৰণ নকৰিলে যেন মোক মাৰিহে পেলাব (কলেজৰ হৈ কিবা এটা কৰিব লাগে তই নাযানো, তোক আমি জিকাম নহয় তই চিন্তাই নকৰিবি ইত্যাদি ইত্যাদি)।

উফ ... মইহে জানো মোৰ সমস্যাৰ কথা। পাছৰ পৰা এনে চিঞৰি থাকিলে হ'বনে। মোৰ ঘৰত আৰ্থিক সমস্যা আছে কোনোবাই বুজিবনে। কিন্তু নাই খেলিবই লাগিব। ময়ো ভাবিলো তেওঁ কথাটো, লগবোৰে ইমান জোৰ কৰিছে যেতিয়া। ঘৰতো সুধিলো কথাটো। ঘৰৰ পৰা অনুমতিয়ো পালো। হুফ ........ ঘৰৰ পৰা অনুমতি পালো যেতিয়া নামি যাওঁ যুদ্ধত। ফৰ্ম ফিলাপ কৰি জমা দিলো বজৰংগ বলীৰ নাম লৈ এতিয়া তোমাৰ কৃপাতে ঈশ্বৰ বুলি। দুদিন পাছত বেৰত জাননি এখন মাৰি দিলে মানে ইলেকচন খেলিবলে সুযোগ পোৱা মহান ৰাজনীতিবিদ কেইজনৰ নাম। ষ্টেডিয়ামৰ ওপৰত বহি আড্ডা মাৰি আছিলো তেতিয়া। হঠাৎ গম পালো নামবোৰ দিছে। দৌৰি গৈ চালো, বাহঃ তাত দেখোন মোৰো নাম আছে। মইয়ো খেলিবলৈ সুযোগ পাম তাৰমানে ইলেকচনত। বুকুখন ধপকে উঠিল। এক অজান ভয় আৰু উত্তেজনাই যেন বুকুত বিৰাজ কৰিছে। কেইটামানে আৰু বিকট জোৰেৰে চিঞৰি আনন্দ উল্লাসত নাচিবলৈ ধৰিলে। বুকু কিয়? অ চাওঁ যে কেইজনমান ৰাজনীতিবিদৰ বিপক্ষে কোনোৱেই নাছিল। অৰ্থাৎ সিহঁ ইতিমধ্যে জিকিল। কেইটামান পদত আৰু কোনোৱে নাছিল। একদম খালী। ছাত্ৰ-ছাত্ৰীবোৰৰ আগ্ৰহে নাই নেকি ইয়াত। বাৰু যি নহওক জিলা কেইজনৰ পাৰ্টি খালো সিদিনাই আৰু মইও লাগি গলো মোৰ কামত। যিহেতু মোৰ প্ৰতিদন্দি আছিল, মোৰ আনন্দ উল্লাস কৰা সময় নাছিল।

ঘৰৰ পৰা পইচা ললো, কাৰ্ড ছপালো, প্ৰচাৰৰ বাবে বাইকত উঠি বহু ঠাই ঘূৰিলো। বৰযুণৰ বতৰ, গোটেই দিনটো জিপাল হৈ আছিল সিদিনা। বৰযুণৰ তলে তলে পুখুৰীপাৰাৰ পৰা আদি কৰি তাৰাবাৰীলৈকে ঘূৰি ঘূৰি চলাথ কৰি পেলালো। এবাৰটো বাইকৰ পৰা পৰি বোকাতো লুতুৰি-পুতুৰি হলো। লংপেনটো ফাটিল। তথাপি ঘূৰিবলৈ নেৰিলো। অৰ্থাৎ প্ৰচাৰত একো বাকী নাৰাখিলো। সজোৰে প্ৰচাৰ কৰিলো একদম। এনেদৰে প্ৰচাৰ কৰোতে কৰোতে কাষ চাপিল নিৰ্বাচনী যুদ্ধ। লাহে লাহে বুকুৰ ভয়ো দুগুণে বাঢ়িব ধৰিলো। তথাপি তৰোৱাল ঢাল লৈ সাজু যুদ্ধৰ বাবে।

নিৰ্বাচনৰ আগদিনা। মোৰ বন্ধু এজন আহিল মোৰ ওচৰলৈ, নাম তাৰ যোগীৰাজ। লগত কেইখনমান কাগজো আনিছিল সি। চাওবুলু কি সেইবোৰ। সুধিলো তাক! সি কলে প্ৰেমিনাই দিছে নিৰ্বাচনত মাৰিবলৈ বেনাৰ। অ' প্ৰেমিলা! মোৰ ভাল বান্ধৱী তাই। লগাতকৈ অলপ বেছিয়ে ভাল মানে। তাইক মই একো কৰিবলৈ কোৱাই নাছিলো, সকলো উপযাচি কৰিলে। তাৰ বাবে বহুতো ধন্যবাদ তোমালৈ। বন্ধুজনক আজি ঘৰতে ৰাখিলো। বিতুপনো আছিল আমাৰ লগত। তিনিও এখন বিচনাতে থাকিলো ভাত-

পানী খাই। বিচনাও কি টানি মানি কোনোমতে দুজন শুব পাৰি। শুইছো তিনিজন। বুজিবই পাৰিছে চাগে কিমান কষ্টত শুইছো। ৰাতি কাৰো এজনৰো চকুত টোপনি নাই। আলোচনাতে কটালো ৰাতিটো। মাজে মাজে কাজিয়া। যোগীৰাজ আৰু বিতুপনৰ মাজৰ কেন্দ্ৰ মই। মইও একো নকৈ শুনিয়ে আছিলো সিহঁতৰ কাজিয়া। যোগীয়ে কলে, ভাই তই মহটো মাৰি দিব নোৱাৰিলি। বিতুই কলে, মাৰি লব নোৱাৰা। আকৌ যোগীয়ে কলে যে— এনে দোষ্তি নিভাইছা ভাই, মহ এটা মাৰি দিব নোৱাৰা। এয়ে আৰু কাজিয়া, কি যে হব।

ৰাতি ২-৩০ মানতে উঠিয়ে কলেজ পালো। আমাৰ ইয়াত বেনাৰ লগোৱাৰ বাবেও তয়াময়া ৰণ হয়। কলেজত গৈ সকলো বন্ধু সকলোকে লগ পালো। সিহঁত ঠাই দখল কৰাৰ বাবে কলেজতে ৰাতিটো কটালে। কলেজলৈ গৈ সিহঁতক জগাই দিলো বেনাৰবোৰ লগালো। তাতে ৰাতি থকা এজন বন্ধু (মাইকেল)ক এখন বেনাৰ ভুল ঠাইত লগোৱাৰ বাবে খুলি আনিব দিলো। সি খুলি আনিলে ঠিকে কিন্তু কাৰোবাৰ বেলেগৰ বেনাৰখন। তাকো চিৰি ফাৰি নোহোৱা কৰি পেলালে ২০০ টকাৰ বেনাৰ খনকো। সি কলে, আনোতেই হেনো চিগিছে, ওপৰত আছিল যে। কিন্তু আমি জানো সি টাৰগেট কিয় মিছ কৰিছিল, কিবা কৈছো, কিবা বেলেগ শুনিছিল। বায়ুতে উৰি যাও যাও কৰি আহিল সি, বাদ দিয়া সেইবোৰ বেয়া কথা নকওঁ।

লাহে লাহে বন্ধুবোৰৰ হুলস্থূলৰ মাজেৰে কেতিয়া বেলি ওলাল গমকে নাপালো। খুবেই ভয় লাগিছিল, জিকিমনে নিজিকিম বুলি। শেষ সময়টো উপস্থিত হয়হি, বুকু দুৰু দুৰু, গা-পা ধুইয়ে আকৌ পালোহি কলেজ। কলেজৰ পদুলি সকলোকে আদৰণিৰ প্ৰস্তুতিৰ বাবো মোৰ হাতত চকলেটৰ সৈতে এখন বঁটা, ডিঙিত মায়ে দিয়া আৰনাই (বড়োসকলে ডিঙিত লোৱা গামোছা) আৰু মৰমৰ বান্ধৱী প্ৰেমিনাই আনি দিয়া কাংবাং। দেখাত হেনো দৰাটোৰ দৰে লাগিছে মোক বন্ধুবোৰে কবলৈ ধৰিলে।

নিৰ্দিষ্ট সময় হোৱাৰ লগে লগে ছাত্ৰ-ছাত্ৰীবোৰ ভোট দিবলৈ কলেজলৈ আহিবলৈ ধৰিলে। সকলোকে নমস্কাৰ জনাই চকলেট এটি দুটিকৈ দি ভোটটি দি মোক জয়যুক্ত কৰাৰ বাবে অনুৰোধ জনালো। এইয়া আগৰে পৰা চলি অহা নিয়ম, নিৰ্বাচনত জিকাৰ বাবে শেষ চেষ্টা। এপল দুপলকৈ সময়বোৰ পাৰ হ'ল, ভোটদান কাৰ্যও সমাপ্তি হ'ল। আমিও বস্তুবোৰ সামৰি ঠাইবোৰ চাফা কৰি ঘৰা-ঘৰি ৰাওনা হলো। মই ভোকে ভাগৰে খুবেই ক্লান্ত লেবেজান হৈ পৰিছিলো, সেয়ে গা-পা ধুই ভাত-পানী খায়ে বিচনাত বাগৰ দিলো। তথাপি বুকুখন অজান ভয়ত কঁপি থাকিল, দেহমন উত্তেজনা আৰু ভয় সৰ্ববিৰাজিত মোৰ টোপনি নাহে। মাজতে এটা মাত্ৰ দিন নিৰ্বাচনীয় ফলাফলৰ বাবে।

আজি নিৰ্বাচনৰ ফলাফল ঘোষণা কৰিব। মোক সেই একেই উত্তেজনা ভয়ে দেহ-মন কঁপাইছে। Class room বোৰত ভোট গণনা কাৰ্য চলি আছে। নিৰ্দিষ্ট সময়ত ফলাফল ঘোষণা কৰিলে। সকলোৰে এঠাইত গোট খালো। এজন এজনকৈ এফালৰ পৰা নামবোৰ ঘোষণা কৰিলে। মোৰ নামটো শুনি মই আৰু মোৰ বন্ধুবোৰে কিমান আনন্দ আৰু সুখ অনুভৱ কৰিছিলো যাক ভাষাৰে বুজাবলৈ ভাষা নাই।

হঠাৎ মোৰ দুজন বন্ধুয়ে কোলাত দাঙি নি আগতি খুন্দি থোৱা বোকাৰ খাল এটাত পেলাই দিলে। মই বোকাৰে লুতুৰি-পুতুৰি হৈ পৰিলো। ঘৰত ভাত খাই অহা নাছিলো, বোকাকে খালো। পিছতহে গম পালো অ' গৰুহঁত, ইমান সময়ে খাল খুন্দি আছিলি। লগৰবোৰে বোকাৰ খেল আৰম্ভ কৰিলে যেতিয়া সকলোৰে লগত হলি খেলিলো প্ৰাণ ভৰি। তৰুণ, চপন, দেৱজিৎ, সুভম, যোগীৰাজ, সঞ্জয়, বিতুপন, চম্পক দা, অভিজিৎ আদি কৰি আৰু বহুতো দাদা মিলি আনন্দৰ হলি খেলিলো। ফটকা ফুটালো। খুব আনন্দ কৰিলো। অনুপম ভাইটিও বোকাৰ ভয়ত কনিষ্ঠ মহাবিদ্যালয়ৰ কাষত লুকাই আছিল। তাকো দাঙি আনি বোকাতে বহাই দিলে। এনে দিন আৰু মই দুনাই নাপাম ঘূৰাই কেতিয়াও।

লাহে লাহে আবেলি হ'ল। বন্ধুবোৰে পাৰ্টিৰ বাবে বকোলৈ মাতিছিল কিন্তু ভাগৰত দেহ ইমান কাতৰ হৈ পৰিছিল যে যোৱা নহ'ল। বন্ধুসকল বেয়া নাপাবা তাৰ বাবে। সকলোৰে সহযোগত আজি মই এইখিনি সুখ পাবলৈ সক্ষম হৈছো। তাৰ বাবে মোৰ সমূহ বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটি-ভণ্টিক সজোৰে ধন্যবাদ জ্ঞাপন কৰিছো। ভাষাবিহীন মৰম আৰু সঁহাৰিৰ বাবে আপোনালোকৰ ওচৰত মই সদায় খালী হৈ ৰয়।

কেইদিনমান পাছত কলেজৰ প্ৰতি থকা মোৰ দায়িত্বভাৰ মই গ্ৰহণ কৰিলো। মই যিহেতু খেল সম্পাদক আছিলো, মই মোৰ দায়িত্ব যিমান পাৰো কৰি যাবলৈ চেষ্টা কৰিছিলো। এইখিনিতে আৰু এটা ক্ষমা বিচাৰি নিবেদন মিচ্ পল্লৱী দত্ত বৰুৱালৈ। আমাৰ

ছাত্ৰ-একতা সভাত তিনিটি বিভাগত কোনো প্ৰাৰ্থী নোহোৱাৰ বাবে এওঁক তৰ্ক বিভাগত সুযোগ দিবলৈ অধ্যাপকক অনুৰোধ জনাইছিলো। ইচ্ছা নাথাকিও কাৰোবাৰ জোৰত তাই এই দায়িত্বভাৰ গ্ৰহণ কৰিছিল। অলপ ব্যস্ততা আৰু সময় নষ্ট কৰিলো তোমাৰ ক্ষমা কৰিবা। কিন্তু ইয়াৰ পৰা হোৱা তোমাৰ অভিজ্ঞতাই তোমাক জীৱনত সহায় কৰিব বুলি মই ভাবো। আগলৈও যেন নিজৰ কৰ্তব্যৰ পৰা ফালৰি নাকাটি, তাক দৃঢ়তাৰে আৰু সাহসেৰে পালন কৰি যোৱা আৰু লগতে সমূহ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ কৰ্ম-কৰ্তা তথা ছাত্ৰ-ছাত্ৰীক সন্মান আৰু মৰম যাঁচিছো। আৰু সকলোকে নিজৰ নিজৰ কৰ্তব্য, দায়িত্ব সুকলমে কৰিবলৈ অনুৰোধ জনাইছো আৰু কলেজখনক, আৰু উচ্চ স্থানলৈ নিয়াত সকলোৱে যেন আগবাঢ়ি আহে। আৰু সমূহ ছাত্ৰ-ছাত্ৰীকে মই কব বিচাৰিছো যে পঢ়া-শুনা, খেল-ধেমালী এইবোৰ আমাৰ জীৱনৰ অংশ। এইবোৰ অবিহনে জীৱন সুখৰ কেতিয়াও নহয়। সেয়ে সকলোকে এইবোৰত অংশ গ্ৰহণ কৰি থাকিবলৈ অনুৰোধ জনাইছো। সকলোৰে জীৱন যেন সুখৰ হয় তাৰে কামনা কৰিছো।

শেষত কেইজনমান দাদা-বন্ধুক মই ধন্যবাদ নকৈ নোৱাৰিম। নিপ দা, সঞ্জিব দা—এওঁলোক মোক কলেজ সপ্তাহৰ সময়ত বহুতে সহায় কৰিছে। মোৰ বহুতো কামত আগভাগ লৈছে। তাৰ বাবে তেওঁলোকক কেনেদৰে ধন্যবাদ দিম ভাষা বিচাৰি নাপাও। কলেজ সপ্তাহত অলপ মতভেদ হৈছিল খেলুৱৈ সকলৰ লগত। ক্ষমা কৰিব বন্ধুসকল ভুল-ত্ৰুটিৰ বাবে। অজানিতে বহুতো ভুল হৈছে মোৰ পৰা, সেইবোৰৰ ক্ষমা বিচাৰিছো আপোনালোকৰ ওচৰত আৰু আপোনালোকৰ মনৰ বহতো ইচ্ছা মই পূৰণ কৰিব নোৱাৰিলো তাৰ বাবেও মই আপোনালোকৰ ওচৰত ক্ষমা প্ৰাৰ্থী। আপোনালোকে মোৰ ভুল বুজি মোক ক্ষমা কৰিব দিয়ে যেন। এইখিনি কৈয়ে মই মোৰ লেখনি সামৰিছো।

---

# নিৰ্মল শৰৎ

মিচ লোপামুদ্ৰা ৰাভা
পঞ্চম যান্মসিক

পুনৰ শৰৎ আহিল । বাৰিষাৰ ক'লা মেঘ আঁতৰি যোৱাৰ পিছত নীল আকাশৰ চপৰা মেঘ, পথাৰৰ চাপৰি জাতিস্কাৰ কৰা কহুৱা, শুভ্ৰ শেৱালিৰ সুবাসে জনাই দিয়ে শৰতৰ বতৰা। গছ-গছনিৰ বুঢ়া পাতত নিয়ৰৰ স্পৰ্শ এয়াই শৰৎ। বাৰিষাৰ প্ৰকৃতিয়ে বোকা পানী সামৰি চৌখিন হৈ পৰা এই শৰততে অসুৰ বধ হয় মৰতত। অসুৰমুক্ত ধৰণীলৈ নামি আহে শান্তিৰ শীতল বতাহ। দশভুজা দৰ্গতিনাশিনীয়ে মৰ্ত্যত আতংকৰ সৃষ্টি কৰা অসুৰক বধ কৰি শান্তি প্ৰতিষ্ঠা কৰে। সকলোৱে কামনা কৰে অসুৰ নাশ হওক। কল্পিত মহিষাসুৰ থাকক বা নাথাকক কিন্তু এই কথা সত্য যে আজিৰ পৃথিৱীত অসুৰ আছে। এই অসুৰৰ ৰূপ হয়তো বেলেগ আৰু অসুৰে সাধন কৰা দুষ্কাৰ্যৰ ধৰণ কৰণো বেলেগ। সকলোৰে চকুৰ সন্মুখতে ঘটি থকা হত্যাকাণ্ডবোৰ, বিস্ফোৰণবোৰ, নাৰী নিৰ্যাতনবোৰ, সীমান্তৰ কাজিয়াবোৰ অসুৰে সৃষ্টি কৰা ঘটনাই। গতিকে প্ৰতীকি অৰ্থত হলেও দশভুজাই শান্তি হৰণকাৰী মহিষ বধৰ প্ৰয়োজন সাম্প্ৰতিক সমাজ ব্যৱস্থাতো অনস্বীকাৰ্য। আমিও মনে প্ৰাণে কামনা কৰো এখন অসুৰমুক্ত পৃথিৱী। আৰু এই পৃথিৱীত উদ্‌যাপিত হওক মানুহ আৰু জীৱনৰ নিৰ্মল উৎসৱ অৰ্থাৎ নিৰ্মল শৰৎ।

# চাহৰ দোকানৰ পৰা দিল্লী দৰবাৰলৈ নৰেন্দ্ৰ মোদী

**প্ৰকাশ ছেত্ৰী**
পঞ্চম ষান্মাষিক (ৰাজনীতি)

নৰেন্দ্ৰ দামোদৰ দাস মোদী বা চমুকৈ নৰেন্দ্ৰ মোদী এগৰাকী ভাৰতীয় ৰাজনীতিবিদ আৰু ভাৰতৰ ১৫ তম প্ৰধান মন্ত্ৰী। উত্তৰ গুজৰাটৰ মেহছানা জিলাৰ ৱাদ নগৰ নামৰ এখন সৰু চহৰত ১৯৫০ চনৰ ১৭ ছেপ্তেম্বৰত জন্ম। পৰিয়ালটোৰ ছটা সন্তানৰ তৃতীয় সন্তান নৰেন্দ্ৰ মোদী। তেওঁৰ চাৰিজন ভাই-ককাই আৰু এগৰাকী ভনীয়েক। উদাৰতা, পৰোপকাৰিতা আৰু সমাজ সেৱাৰ গুণ সম্পন্ন এক সংস্কৃতিবান পৰিয়ালত তেওঁৰ জন্ম। ৱাদ নগৰতে পঢ়াশালীয়া শিক্ষা সম্পন্ন কৰা মোদীয়ে মাত্ৰ ১৫ বছৰ বয়সতেই ১৯৬৫ চনৰ ভাৰত-পাক যুদ্ধত আহত সৈনিকসকলক ৰেলষ্টেচনৰ ট্ৰেনজিট কেম্পত সেৱা আগবঢ়াইছিল। একেদৰেই ১৯৬৭ চনত হোৱা গুজৰাটৰ প্ৰবল বানপানীৰ সময়তো তেওঁ সহায়ৰ হাত আগবঢ়াইছিল। লগতে গুজৰাটৰ বিভিন্ন সামাজিক-ৰাজনৈতিক আন্দোলনত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল।

শৈশৱতে তেওঁ ৱাদ নগৰ ৰেলৱে ষ্টেচনত দেউতাকৰ লগতে চাহ বিক্ৰী কৰিছিল ৰে'লৰ দবাই দবাই। সেই শৈশৱৰ পৰা শিক্ষা গ্ৰহণ তথা জীৱন নিৰ্বাহৰ বাবে যথেষ্ট বাধা-বিঘিনীৰ সন্মুখীন হৈছিল নৰেন্দ্ৰ মোদী, কিন্তু এই প্ৰত্যাহ্বানবোৰক তেওঁ সুযোগলৈ পৰিৱৰ্তন কৰিছিল।

ভাৰতীয় দৰ্শন তথা হিন্দুত্বৰ প্ৰতি অতিকৈ আকৰ্ষিত মোদীয়ে আনকি সাধু সন্ন্যাসী হৈ যোৱাৰ বাবে পঢ়া আধাতে সামৰি পশ্চিম বংগৰ বেলুড়ৰ ৰামকৃষ্ণ মিছন আৰউ পাছলৈ দুবছৰৰ বাবে হিমালয়লৈ গুচি গৈছিল।

হিমালয়ৰ পৰা ঘূৰি আহি আহমেদাবাদৰ ষ্টেট ট্ৰেন্সপোৰ্টত খুৱাকৰ দোকানত পুনৰ চাহ বেচা কামত হাত দিয়ে আৰু সেই সময়তে তেওঁ ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘত কাম কৰি থাকোতেই তেওঁ ৰাজনীতি বিজ্ঞানত স্নাতকোত্তৰ সম্পন্ন কৰে।

বহু বছৰ ধৰি ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ লগত জড়িত হৈ থকাৰ বাবেই তেওঁ জীৱন অতিকৈ পৰিশীলিত অনাড়ম্বৰ, নিৰামিষ ভোজী আৰু গভীৰ আত্মপ্ৰত্যয়েৰে ভৰা।

মাতৃ হীৰাবেনৰ প্ৰতি অত্যন্ত শ্ৰদ্ধাশীল প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মাতৃৰ মৰম আৰু আশীৰ্বাদৰ বাবেই জীৱনক আগবঢ়াই লৈ যাবলৈ সমৰ্থ হৈছে বুলিও বহুসময়ত নিজে দোহাৰে।

১৯৮৭ চনত নৰেন্দ্ৰ মোদীয়ে বিজেপিত যোগদান কৰে। মাত্ৰ এবছৰৰ ভিতৰতে তেওঁ আনকি গুজৰাট ৰাজ্যিক বিজেপি দলৰ সাধাৰণ সম্পাদক হয়গৈ। অসাধাৰণ সাংগঠনিক ক্ষমতা আৰু তেওঁৰ ৰণ কৌশলৰ বাবেই ১৯৯৫ চনত গুজৰাটত বিজেপিয়ে শাসনৰ গাদী দখন কৰিব পাৰিলে।

১৯৯৫ চনত তেওঁ বিজেপি দলৰ ৰাষ্ট্ৰীয় সম্পাদক নিৰ্বাচিত হয় আৰু ১৯৯৮ চনত সাধাৰণ সম্পাদক (সাংগঠনিক) পদলৈ উন্নীত হয় আৰু এই সময়ত তেওঁ জম্মু-কাশ্মীৰ আৰু ভাৰতৰ উত্তৰ-পূবৰ ৰাজ্যসমূহৰ ৰাজ্যি ক গোটসমূহ চোৱাচিতা কৰিছিল। ৰাষ্ট্ৰীয় পৰ্যায়ত কাম-কাজ কৰি থকাৰ সময়তে তেওঁ পৃথিৱীৰ বিভিন্ন দেশ ভ্ৰমণ কৰি যথেষ্ট অভিজ্ঞতা আহৰণ কৰিছিল।

২০০১ চনৰ ৭ অক্টোবৰত নৰেন্দ্ৰ মোদীয়ে গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। তেওঁৰ নেতৃত্বত গুজৰাটে বিগত ১৩ বছৰত শিক্ষা, কৃষি, স্বাস্থ্যসেৱা, ই-প্ৰশাসন, বিনিয়োগ, দাৰিদ্ৰ্য দূৰীকৰণ, শক্তি, পথ উন্নয়ন, আৰ্থিক শৃংখলা আদি সকলো দিশতেই আমুল পৰিৱৰ্তন সাধন কৰি দেশৰ এখন মডেল ষ্টেট হিচাপে পৰিগণিত হৈছিল। তেতিয়াৰ পৰআ ২০১৪ চনৰ মে' মাহলৈকে তেওঁ গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰে।

২০১৪ চনৰ ষষ্ঠদশ লোকসভা নিৰ্বাচনত বিজেপিয়ে বিপুল ভোটত একক সংখ্যাগৰিষ্ঠতা লাভ কৰে আৰু নৰেন্দ্ৰ মোদীৰ নেতৃত্বত মন্ত্ৰী সভা গঠন কৰে। নৰেন্দ্ৰ মোদীয়ে ২৫ মে' ২০১৪ৰ দিনা ভাৰতৰ পঞ্চদশ প্ৰধান মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।

২০১৪ চনৰ ষষ্ঠদশ লোকসভা নিৰ্বাচনৰ বাবে বিজেপি দলে ২০১৩ ছেপ্টেম্বৰতেই নৰেন্দ্ৰ মোদীক প্ৰক্ষেপিত কৰে। তেতিয়াৰ পৰা বিগত আঠ মাহ ধৰি নিৰ্বাচনৰ আঁচনি তৈয়াৰ কৰা, প্ৰচাৰৰ বাবে সময়, ঠাই নিৰ্বাচন কৰা, তথা বিভিন্ন ঠাইৰ অভাৱ-অভিযোগ সামৰি দেশৰ মূল সমস্যা আৰু ইয়াৰ সমাধানৰ বাবে কিদৰে আগবাঢ়িব আদি নিৰ্বাচনকেন্দ্ৰিক বিভিন্ন কামত কঠোৰ পৰিশ্ৰম কৰে তেওঁ। আনকি নিৰ্বাচনৰ প্ৰচাৰৰ বাবে বিগত তিনি মাহত তেওঁ চাৰিশৰো অধিক নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। অৱশেষত তেওঁৰ নেতৃত্বতে বিজেপি দলে লোকসভাৰ মুঠ ৫৪৩ আসনৰ ২৮৩ ত আসন লাভ কৰে।

অত্যন্ত মিতব্যয়ী নৰেন্দ্ৰ মোদীয়ে দিল্লীত প্ৰধান মন্ত্ৰীত্বৰ দায়িত্ব ল'বলৈ অহাৰ সময়ত নিজৰ জমা পুঁজিৰ সকলো ধন গুজৰাটৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ শিশুসকলৰ ক্ষেত্ৰত খৰচৰ বাবে দান দি আহে।

উদ্ভাৱনী চিন্তাধাৰাসম্পন্ন আৰু তেজস্বী নেতা হিচাপে মোদীয়ে গাঁও আৰু চহৰ উভয় জনতাৰ পৰা একেই আদৰ-চেনেহ লাভ কৰিছে।

# ভূটানৰ বিদ্যুতে পোহৰাই তুলিবনে অসমক

জ্যোতিপ্ৰসাদ বড়ো
পঞ্চম যান্মাষিক, অঙ্ক

যুগান্তকাৰী উৎসাহ উদ্দীপনাৰ মাজেদি নিৰ্বাচিত হোৱা ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভ্ৰমণ কৰা প্ৰথম দেশখনেই হ'ল ভূটান। ইয়াৰ উদ্দেশ্য আছিল ভাৰত-ভূটান মৈত্ৰী অধিক সুদৃঢ় কৰা। এই ভ্ৰমণতেই ভাৰতৰ প্ৰধান মন্ত্ৰী গৰাকীয়ে ৬০০ মেগাৱাট বিদ্যুৎ উৎপাদন ক্ষমতাৰ খোলংচু জলবিদ্যুৎ কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। তদুপৰি ভৱিষ্যতে ভাৰত আৰু ভূটানে যুটীয়াভাৱে ভূটানৰ ভিতৰত ১০,০০০ মেগাৱাট জলবিদ্যুৎ উৎপাদন কৰাৰ লক্ষ্যও স্থিৰ কৰা হয়। এই বিদ্যুতৰ সৰহ অংশই ভাৰতলৈ ৰপ্তানি কৰি ভূটানৰ ৰাজকোষ সমৃদ্ধ কৰা হব।

যোৱা প্ৰায় এটা দশক জুৰি অসমৰ বিদ্বৎ সমাজৰ লগতে সদৌ অসমবাসীৰ দৃষ্টি নিবদ্ধ হৈ আছে অৰুণাচলত নিৰ্মাণ কৰিবলৈ লোৱা নামনি সোৱণশিৰিকে আদি কৰি জলবিদ্যুৎ কেন্দ্ৰবিলাকৰ নিৰ্মাণৰ ওপৰত। এতিয়া হঠাতে অসমৰ সংবাদ মাধ্যমত খোলংচুকে আদি কৰি বিভিন্ন জলবিদ্যুৎ কেন্দ্ৰৰ নিৰ্মাণৰ বিষয়টো বিৰূপ সমালোচনাই ঠাই পাইছে। প্ৰধান আশংকাটো হ'ল ভূটানত ব্যাপকভাৱে এনে জলবিদ্যুৎ কেন্দ্ৰ নিৰ্মাণৰ ফলত ভূটানৰ নামনিত অসমৰ বাক্সা, চিৰাং, কোকৰাঝাৰ, কামৰূপ, বৰপেটা আজি জিলাত বিধ্বংসী বানপানীয়ে ঘৰ-দুৱাৰ উটুৱাই নিব, পথ পৰিহবন ব্যৱস্থাটো ছিন্ন ভিন্ন হব, মথাউৰিবিলাক ভাগি গৈ বানপানীয়ে ঘৰ-দুৱাৰ বুৰাই পেলাব। এনে আশংকাৰ মূলতে আছে পূব ভূটানৰ কুৰিছ নদীৰ বান্ধৰপৰা অহা ভূটানৰ কুৰিচ নদীৰ বান্ধৰপৰা অহা বানপানীয়ে ২০০২,২০০৪ আৰু ২০০৭ চনত নামনি অসমৰ জিলাকেইখনত কৰা ধ্বংসলীলা।

ভূটানৰ জলবিদ্যুৎ উৎপাদনৰ কাম প্ৰায় তিনিটা দশক আগৰপৰাই চলি আহিছে। প্ৰথমটো উল্লেখযোগ্য জলবিদ্যুৎ কেন্দ্ৰ পশ্চিম ভূটানত নিৰ্মাণ কৰা চুখা। ইয়াৰ প্ৰথম স্তৰ (first stage) আৰম্ভ কৰা হয় ১৯৭৭ চনত। ৩৩০ মেগাৱাটৰ এই কেন্দ্ৰটো সম্পূৰ্ণ কৰা হয় ১৯৮৭ চনত। তেতিয়াৰ পৰাই এই কেন্দ্ৰটোৱে ভূটানৰ নিজৰ বিদ্যুতৰ চাহিদা পূৰণ কৰাৰ পিছত বাকী থকা বিদ্যুৎখিনি ভাৰতলৈ ৰপ্তানি কৰি দেশখনৰ ৰাজকোষ সমৃদ্ধ কৰি আহিছে। সেই সময়ৰ পৰাই চুখাৰ বিদ্যুতে কোচবিহাৰ আৰু জলপাইগুৰি জিলা দুখন পোহৰাই ৰাখিছে। এই কেন্দ্ৰটোৰ নিৰ্মাণৰ ব্যয় সম্পূৰ্ণৰূপে ভাৰত চৰকাৰে বহন কৰিছে শতকৰা ৬০ ভাগ অনুদান আৰু ৪০ ভাগ ঋণ হিচাপে।

ভূটানৰ আটাইতকৈ ডাঙৰ জলবিদ্যুৎ কেন্দ্ৰটো হ'ল তালা জলবিদ্যুৎ কেন্দ্ৰ। উৎপাদন ক্ষমতা ২০২০ মেগাৱাট। ভূ-পৃষ্ঠৰ তলত থকা এই 'আণ্ডাৰগ্ৰাউণ্ড' শক্তি কেন্দ্ৰটোৰ কাৰণে পশ্চিম ভূটানত ৱাংচু নদীত এটা ৯২ মিটাৰ ওখ বান্ধ নিৰ্মাণ কৰা হৈছে। ২০০৭ চনত নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পাছৰপৰাই এই কেন্দ্ৰটোৱে প্ৰতি বছৰে প্ৰায় ৪৮৬৫ নিযুত ইউনিট বিজুলী যোগান ধৰি আছে। ভূটানৰ নিজৰ বিদ্যুতৰ চাহিদা অপেক্ষাকৃতভাৱে বহুত কম গতিকে তালাৰ সৰহভাগ বিদ্যুতেই ৰপ্তানি কৰা হয় ভাৰতলৈ। বৰ্তমানে ইয়াৰ বিদ্যুৎ বিহাৰ আৰু ঝাড়খণ্ডলৈকে যোগান ধৰ হৈছে। বিদ্যুৎ কেন্দ্ৰটোৰপৰা ভাৰত ভূটান সীমান্তলৈ বিদ্যুৎ পৰিবহণ কৰা হৈছে ৪৪০ কিল' ভল্ট লাইনৰ যোগেদি। ভূটানত নিৰ্মাণ হৈ থকা আটাইতকৈ ডাঙৰ জলবিদ্যুৎ কেন্দ্ৰটো হ'ল পুনাং-চাং চু। ২০০৮ চনত নিৰ্মাণ আৰম্ভ কৰা ১২০০ মোগাৱাট ক্ষমতাসম্পন্ন এই কেন্দ্ৰটোৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পথত। ইয়াৰ বিদ্যুতৰো সৰহভাগেই ৰপ্তানি কৰা হয় ভাৰতলৈ। ভূটানৰ নিজৰ সীমিত পৰিমাণৰ চাহিদা পূৰণ কৰাৰ পাছত বাকী বিদ্যুতৰ আটাইখিনিকেই ভাৰতলৈ ৰপ্তানি কৰা হয়। অতি উচ্চ ভল্টেজৰ বিদ্যুৎ পৰিবাহী লাইনৰ যোগেদি এই বিদ্যুৎ দিল্লীলৈ লৈ যোৱা হয়।

তদুপৰি আন কেইটামান বিদ্যুৎ কেন্দ্ৰৰ নিৰ্মাণো ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে। এইবোৰৰ ভিতৰত আছে স্বয়ংক্ৰিয় ক্ষুদ্ৰ জলবিদ্যুৎ কেন্দ্ৰ বাচো-চু (২৪ মেগাৱাট)। ১২৬ মেগাৱাট ভাগা চু কেন্দ্ৰটোৰ নিৰ্মাণো সম্পূৰ্ণ হোৱাৰ পথত। নামনি অসমত ত্ৰাসৰ সৃষ্টি কৰা কুৰিচু এটা মজলীয়া ক্ষমতাৰ বিদ্যুৎ কেন্দ্ৰ। ইয়াৰ উৎপাদন ক্ষমতা মুঠ ৬০ মেগাৱাট। ইয়াত আছে ১৫ মেগাৱাটৰ চাৰিটা জেনেৰেটৰ। ২০০১ চনৰ এপ্ৰিল মাহৰ পৰা ২০০২ চনৰ মে মাহৰ ভিতৰত এইকেইটা কৰ্মক্ষম কৰি তোলা হয়। কুৰিচু নদীখনত ইয়াৰ কাৰণে এটা কংক্ৰিটৰ বান্ধ নিৰ্মাণ কৰা হৈছে। ইয়াৰ জলাধাৰত প্ৰায় দহলাখ ঘনমিটাৰ পানী জমা কৰিব পাৰি। ২০০৪ চনৰ

ভূস্খলনৰ ফলত বান্ধৰ উজনিত এটা কৃত্রিম জলাশয়ৰ সৃষ্টি হয়। সাধাৰণতে এনে জলাশয়ৰ পানী নিয়ন্ত্রিতভাৱে নামনি লৈ এৰি দিয়া হয়। কিন্তু জলাশয়টোৰ পানী ভেটা হঠাতে তললৈ নামি আহিলে কুৰিচ বান্ধৰ ক্ষতি হোৱাৰ ভয়তে ২০০৪ চনৰ ১০ জুলাইৰ আবেলি বান্ধৰ গেটবিলাক খুলি দিয়া হয়। ফলত মঠানগুৰিত ১০-১৫ ফুট ওখ পানীৰ ধল বাগৰি আহিছিল। ইয়াৰ ফলত বেকী নৈৰ মথাউৰি চিগি গৈছিল। আচৰিত কথা, বান্ধৰ জলাধাৰৰ পানী এৰি দিয়াৰ আগেয়ে সতর্কবাণী শুনোৱা আৰু চাইৰেন বজোৱাটো সকলো দেশতেই প্রতিস্থিত নিয়ম যদিও কুৰিচু বান্ধৰ পানী এৰি দিয়াৰ আগেয়ে কোনো সতর্ক বাণী শুনোৱা নহ'ল। এতিয়া নতুনকৈ নির্মাণ আৰম্ভ কৰিবলৈ পৰিকল্পনা কৰা পূৰ্ব ভূটানৰ জলবিদ্যুৎ কেন্দ্রবোৰৰ বিৰুদ্ধে বাক্সা, চিৰাং, কোকৰাঝাৰ, কামৰূপ, বৰপেটা আদিত সৃষ্টি হোৱা ত্রাস আৰু আতংক কেতিয়াও অমূলক নহয়। ভাৰতত নতুনকৈ শাসনত অধিষ্ঠিত হোৱা কেন্দ্রীয় চৰকাৰে বিষয়টো যথেষ্ট গুৰুত্বসহকাৰে লব বুলি আশা কৰাটো নিশ্চয়কৈ যুক্তিসংগত হব, এইক্ষেত্রত প্রাথমিক দায়িত্ব অসম চৰকাৰৰ।

ভূটানৰ বিদ্যুতৰ যোগান ধৰা হৈছে পশ্চিম বংগ, বিহাৰ আৰু ঝাৰখণ্ডলৈ। এতিয়া ভূটানৰ বিদ্যুৎ লৈ যোৱা হব দিল্লীলৈ। যোৱা ২৭ বছৰ কাল জুৰি ভূটানৰ বিদ্যুতে কোচবিহাৰ আৰু জলপাইগুৰি জিলা পোহৰাই আছে। এতিয়া ইয়াৰ বিদ্যুৎ বিহাৰ আৰু ঝাৰখণ্ডলৈকো যোগান ধৰা হৈছে। কিন্তু ভূটানৰ দাতিতে থকা বাক্সা, চিৰাং, কোকৰাঝাৰ, কামৰূপ, বৰপেটালৈ এই বিদ্যুতৰ ক্ষুদ্র অংশও যোগান ধৰা হোৱা নাই। অসমত বিদ্যুৎ যোগানৰ দায়িত্বত থকা শক্তি মন্ত্রী দপ্তৰ আৰু বিদ্যুৎ উৎপাদন কোম্পানীয়ে ভূটানৰ বিদ্যুৎ অসমলৈ আনিবলৈ যত্ন কৰিছে। তাক আমি জনোৱাটো প্রয়োজন বুলি ভাবো।

# গণিতৰ কুইজ

সংগ্ৰহ ঃ প্ৰবীৰ কুমাৰ তুলশীয়াৰী
স্নাতক পঞ্চম ষান্মাসিক

— ক্ষণজন্মা গণিতজ্ঞ ৰামানুজনৰ জন্ম আৰু মৃতু কিমান চনত হৈছিল?

উ ঃ জন্ম ১৮৮৭ চনৰ ২২ ডিচেম্বৰ আৰু মৃত্যু ১৯২০ চনৰ ২৬ এপ্রিল।

—কাক 'The prince of amateurs' (চৌখিন গণিতজ্ঞৰ যুৱৰাজ) আখ্যা দিয়া হয়?

উঃ পীয়েৰ দ্য ফাৰ্মা

—এলজেব্রা (বীজগণিত) নামটো কোনখন পুথিৰ পৰা লোৱা হৈছে?

উঃ অল জাবৰ ৱাল মুকাবলা ।

—কোনজন গণিতজ্ঞই এবছৰত ৩৬৫ দিন বুলি প্ৰমাণ কৰিছিল ?

উঃ ইউডক্সাছ।

—কোৱাটাৰনিয়ন (i. j. k.) নামৰ গাণিতিক ৰাশি কোনজন গণিতজ্ঞৰ গুৰুত্বপূৰ্ণ আৱিষ্কাৰ ?

উঃ আইৰিছ গণিতজ্ঞ উইলিয়াম ৰোৱাল হেমিল্টন।

—যি বহুভূজৰ বাহুৰ সংখ্যা তাৰ কৰ্ণৰ সংখ্যাৰ সমান সেই বহুভূজৰ (Polygon) নাম কি ?

উঃ পঞ্চভূজ (Pantagon)

—১০০০ টকাৰ দহভাগৰ এভাগৰ দহভাগৰ এভাগৰ দহ শতাংশ কিমান ।

উঃ ১ টকা

—আজিকালি বহুলভাৱে ব্যৱহৃত > (ডাঙৰ) আৰু < (সৰু) চিন দুটা কোনজন গণিতজ্ঞই আৱিষ্কাৰ কৰিছিল ?

উঃ- ইংৰাজ গণিতজ্ঞ টমাছ হেৰিয়ট ।

—আঠটা আঠ ব্যৱহাৰ কৰি ১০০০ কেনেকৈ লিখিবা ?

উঃ- ৮+৮+৮+৮৮+৮৮৮ =১০০০।

—'প্রিন্সিপিয়া মেথেমেটিকা' গ্রন্থখন কোনে ৰচনা কৰিছিল?

উঃ- বাৰ্ট্ৰাণ্ড ৰাছেল ।

# আনৰ হক নষ্ট কৰা আৰু হাৰাম মাল সংগ্ৰহ কৰা মহা পাপ

মিছ ৰূপচানা আহমেদ
স্নাতক প্ৰথম ষান্মাসিক

আজিৰ যুগত মানুহে আনৰ হক নষ্ট কৰা বিষয়ত নিজৰ লাভ বুলিলে ভাবে। কিন্তু শেষ বিচাৰৰ (কিয়ামত) দিনা সকলোকে সৃষ্টি কৰা মহান সৃষ্টিকৰ্তাৰ ওচৰচ কৈফিয়ত নিদিয়াকৈ কোনেও সাৰিব নোৱাৰিব। প্ৰকৃত মানুহ সেইজনেই যিজনে আনৰ পকা ধাননিৰ মাজেৰে খোজ কাঢ়ি যাওঁতে ভৰিত লাগি সৰি পৰা ধানটো হাতত লৈ চিন্তা কৰিছে যে ধানটোৰ মালিক কোন? ইয়াৰ পাছত উক্ত ধানটো মালিকৰ হাতত চমজাই দি মাফ খুজিছে আৰু যিজনে পৰুৱা এটি মাৰাৰ আগতে চিন্তা কৰিছে। মোৰ যিদৰে জীয়াই থকাৰ অধিকাৰ আছে, এই মাৰাৰ আগতে চিন্তা কৰিছে। মোৰ যিদৰে জীয়াই থকাৰ অধিকাৰ আছে, এই ক্ষুদ্ৰতম পৰুৱাটিৰো জীয়াই থকাৰ আশা আছে। মই বিনা দোষত যদি ইয়াক হত্যা কৰো, তেনেহ'লে মহান সৰ্যষ্টিকৰ্তাৰ সৈতে মোৰ সু-সম্পৰ্ক নাইকীয়া হ'ব আৰু মই নাৰকী/গাতকী হ'ব লাগিব। এনে চিন্তা যিজনে কৰিব পাৰিছে তেৱেঁই প্ৰকৃত মানুহ। হিন্দুই হওঁক বা মুছলমানেই হওঁক বা অন্য সম্প্ৰদায়ৰেই হওঁক, এদিন সকলোকে সৃষ্টিকৰ্তা মালিকৰ ওচৰত হাজিৰ হ'বই লাগিব। যি মালিকৰ মুলমন্ত্ৰ হ'ল এক দেও, এক সেও, একবিনে নাই কেওঁ (অৰ্থাৎ এক আল্লাহৰ বাহিৰে অন্য কোনো উপাসনাৰ মালিক নাই)সৰ্যষ্টিকৰ্তা মালিকৰ সৃষ্টিৰ ভিতৰত মানুহেই হৈছে সৰ্বশ্ৰেষ্ঠ। কিন্তু সৰ্বশ্ৰেষ্ঠ পদবীৰ অধিকাৰী হৈয়ো মানুহে আজি হিংসা বিদ্বেষ, হত্যা লুণ্ঠন আদি জঘন্য কামত লিপ্ত। হিংসা ভাৱ ইমানেই প্ৰৱল যে এজনে আনজনক হত্যা কৰিবলৈও কুণ্ঠবোধ নকৰে। বৰঞ্চ মনতে ভাৱে যে ইয়াক বা এওঁলোকক মাৰিব পাৰিলে আমাৰ শান্তি হ'ব। কিন্তু ইয়াৰ দ্বাৰা বিপত্তি আৰু ধ্বংসৰ প্ৰমান ইতিহাসত বহুতো আছে। ধনৰ লোভত দেহা বিক্ৰী কৰোতা এজনী দেহো পজীয়নীতকৈও হিংসাতে হওঁক বা অন্য কিবা পোৱাৰ আশাত মানুহ হত্যা কৰা তাতোকৈও নিকৃষ্ট কৰ্ম। এনে নিকৃষ্ট ভাবাপন্ন মানুহে দেশৰ শাসন ভাৰ পালেও দেশ কেতিয়াও উন্নত নহয়, বৰঞ্চ এনেবোৰ ব্যক্তিৰ দাবা দেশৰ অধঃপতন হোৱাটো ধ্ৰুৱপ সত্য। কিয়নো হত্যাকাৰী অভিশপ্ত আৰু মৃত্যুৰ পিছতো নৰকেই তেওঁৰ প্ৰকৃত বাসস্থান। হজৰত মোহম্মদ (ছঃ) ত্ৰ কৈ গৈছে যে এনে এটা যুগ আহিব যি যুগত কিছুমান মানুহৰ অন্তৰত হ'ব বাঘৰ দৰে কঠোৰ, কথাবোৰ হ'ব নৰীৰ দৰে, অৰ্থাৎ নিষ্ঠুৰ কৰ্ম, জঘন্য বেয়া কৰ্ম, যেনেদৰে ফেৰাউনে নিজকে অঙংকাৰত খোদা দাবী কৰি জঘন্য অপৰাধী হৈছিল আৰু যাৰ কাৰণেই সি অনন্ত কালৰ বাবে নৰকী হৈছিল।

হজৰত মোহাম্মদ (ছঃ) এ আৰু কৈছে যে আমল নামা (কৰ্ম তালিকা)ত লিখিত পাথ তিনি প্ৰকাৰৰ।

১ম শ্বেৰেকী গুনাহ, অৰ্থাৎ আল্লাহৰ সৈতে নিজকে তুলনা কৰা, এই পাপক আল্লাই কেতিয়াও মাফ নিদিয়ে চয় বান্দাৰ হকে নষ্ট কৰা, যেনে আনৰ প্ৰাপ্য নিজে আত্মসাত কৰা বা বিনষ্ট কৰা। কিয়া মতৰ দিনা অৰ্থাৎ শেষ বিচাৰৰ দিনা, বিনষ্ট বা আত্মসাত কৰা ব্যক্তিৰ হক আদায় নিদিয়ালৈকে আল্লাই আত্মসাত বা বিনষ্ট কাৰীক কেতিয়াও ক্ষমা নকৰে। পযথিৱীত যদি কোনো ব্যক্তিয়ে বিনা দোষত কাৰোবাক হত্যা কৰিছিল তেন্তে উক্ত শ্বহীদ জনে কিয়ামতৰ দিনা তেওঁৰ হত্যাকাৰীক দুটুকুৰা কৰি সেই টুকুৰা দুটা আল্লাহৰ সন্মুখত হাজিৰ কৰাই ক'ব যে হে, আল্লাহ এই ব্যক্তিজনে পৃথিৱীত থাকোতে মোক বিনা দোষত হত্যা কৰিছিল, আজি মোক ইয়াৰ বিচাৰ লাগে। যিহেতু জীৱনত মানুহৰ মৃত্যু এবাৰেই হয়, গতিকে উক্ত দুছেও কৰি দিয়া ব্যক্তি জনৰো প্ৰাণ বাহিৰ নহয় বৰঞ্চ যন্ত্ৰনাত হাত-ভৰি এছাৰি থাকিব আৰু আল্লাহৰ পৰা ৰহম বা ক্ষমা বিচাৰি থাকিব। কিন্তু ক্ষমা সেই শ্বহীদজনে দিলেহে আল্লাইয়ো ক্ষমা কৰিব। নচেত অনন্তকাল নৰকত জ্বলিব।

৩য় আল্ল হ আৰু বান্দাৰ মাজত সম্বন্ধ অৰ্থাৎ আল্লাহৰ হুকুম উলংঘা কৰা জনক ইচ্ছা কৰিলে আল্লাই মাফ কৰিবও পাৰে নচেত শাস্তিও দিব পাৰে (মিছকাত) সেয়েহে সকলো মানুহকে সৃষ্টি কৰ্তা মালিকৰ ভয় অন্তৰত ৰাখি জীৱনৰ সৰ্ব্ব কাম বা যিকোনো কাম নম্ৰতাৰে আৰু পৱিত্ৰ মনেৰে কৰাৰ প্ৰয়াস কৰিব লাগে, কিয়নো আল্লাই নম্ৰতাও পৱিত্ৰতাক পছন্দ কৰে। যিজনে ভদ্ৰতা, নম্ৰতা ও পৱিত্ৰ ৰক্ষা কৰি সযষ্টিকৰ্তা মালিকৰ বিধানক্ষতে নিজৰ জীৱনটোক গঢ় দিব পাৰিছে তেৱেঁই প্ৰকৃত জ্ঞানী।

"নম্ৰ ভদ্ৰ যৌৱকৰ লগতো আল্লাই বন্ধুতা
কিন্তু অহংকাৰী বুঢ়া হলেও শত্ৰুতা ৰাখে।
ঘৰ ধৱংস জুইয়ে, বাকচ ধ্বংস উঁইয়ে
আমল ধ্বংস পৰচৰ্চা আৰু অংকাৰে।

আল্লাহ তাআলাই এই লিখনিৰ পৰিশ্ৰম কৰোতাক আৰু পাঠক সকলক আমল কৰি চলিবলৈ তৌফিক দান কৰক আৰু হেদায়ত নচিব কৰক। "আ-মিন" হেদায়ত প্ৰাপ্তৰ পৰিচয় হৈছে সদায় নিজৰ দুখ ত্ৰুটি বিচাৰে আৰু হেদায়ত নোহোৱা পৰিচয় হৈছে সি সদায় আনৰ দুয ত্ৰুটি বিচাৰে আৰু হেদায়ত নোহোৱাৰ পৰিচয় হৈছে সি সদায় আনৰ দোয ত্ৰুটি বিচাৰে কিন্তু নিজৰ ফালে লক্ষ্য নকৰে।

# গণশিল্পী খগেন মহন্ত ঃ সোণৰ ৰথে পথে পথে সাঁচ ৰহুৱাই

ড° প্ৰাণেশ্বৰ নাথ
সহযোগী অধ্যাপক

"জীৱনৰে ডিঙাখনিত হেঙুলীয়া চৈ
নিয়তিৰ কুটিল হাঁহি তাৰে আঁৰত বৈ
বিনা দোষত বুকুৰে ধন পাই হেৰুৱালোঁ।"

জনকণ্ঠ খগেন মহন্ত।

অসমৰ সংগীত জগতৰ এক প্ৰাতঃস্মৰণীয় নাম খগেন মহন্ত। অসমৰ সমাজ জীৱনত খগেন মহন্ত এক সবল ব্যক্তিত্ব।

স্বকীয় বৈশিষ্ট্যপূৰ্ণ মৰ্যাদাৰ আসনত অসমীয়া সংগীতক প্ৰতিষ্ঠিত কৰি যিকেইজন মুষ্টিমেয় শিল্পীয়ে অসমৰ সংগীত জগতত পৰিৱৰ্তনৰ সূচনা কৰিছিল, খগেন মহন্ত সেইসকলৰ ভিতৰত অন্যতম সুৰ শিল্পী। তেওঁৰ কণ্ঠত যাদু আছে। সাধাৰণ কথাবোৰে তেওঁৰ কণ্ঠত হৈ পৰে অসাধাৰণ। তেওঁৰ কণ্ঠসুধাত উদ্ভাসিত হৈ উঠা বিহুগীত, শিশুগীত, বৰগীত, সমাজ তান্ত্ৰিক চেতনাই শ্ৰোতাক মুগ্ধ কৰে, উদ্বেলিত কৰে। সেয়ে কোনোবাই কয় 'গণশিল্পী', কোনোবাই আখ্যা দিছে 'বিহু সম্ৰাট' বুলি।

সত্ৰীয়া সংস্কৃতিৰ পৰিৱেশত ডাঙৰ-দীঘল হোৱা বাবেই খগেন মহন্তই সৰুৰে পৰা সংগীতৰ চৰ্চা কৰিবলৈ সুবিধা পাইছিল। এল. পি স্কুলৰ পৰাই, ১৯৪৮ চনৰ পৰাই মঞ্চত গীত গোৱা, সত্ৰীয়া নৃত্য পৰিবেশন কৰা, খোল বজোৱা আদি আৰম্ভ কৰিছিল। ১৯৫৬ চনত কবি-গীতিকাৰ কেশৱ মহন্তৰ লগত সম্পৰ্ক হ'ল জ্যেষ্ঠা ভগ্নী, বৰগীতৰ একনিষ্ঠ কণ্ঠশিল্পী নিকুঞ্জলতা মহন্তৰ সৈতে বৈবাহিক সূত্ৰে। যি অৰ্থত মহাপুৰুষ শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ মিলনক মণি-কাঞ্চন সংযোগ বুলি কোৱা হয়, সেই একেই অৰ্থত কেশৱ মহন্ত, খগেন মহন্তৰ যোগাযোগ মণি-কাঞ্চন সংযোগ বুলি ক'ব পাৰি। কেশৱ মহন্তৰ প্ৰায়বোৰ গীতেই খগেন মহন্তৰ কণ্ঠত প্ৰাণবন্ত হৈ পৰিছিল যোৱা অৰ্ধশতিকাৰো অধিক সময়। বিহুগীতক, বিহুনৃত্যক 'ইতৰ' মানুহৰ বুলি যোৱাটো শতিকাৰ চল্লিশৰ দশকলৈ নাক কোঁচোৱা অসমীয়া মধ্য শ্ৰেণীৰ প্ৰতাপী অংশটোক লক্ষ্মীনাথ বেজবৰুৱাই ফেঁপেৰি পাতি নধৰা হ'লে নগৰৰ মানুহ আজি বিহুৱলীয়া হৈ নপৰিলহেঁতেন চাগৈ। গাঁৱৰ জকাইচুকীয়া বিহু এদিন নগৰৰ মঞ্চ পালেহি। গণশিল্পী হেমাঙ্গ বিশ্বাসে সেই বিহুগীত-বিহুনৃত্যক মহৎ পৰম্পৰাৰ মৰ্যাদাৰে অসমীয়া সমাজত থাপিলে। তাৰো আগতে লোক সংস্কৃতিৰ এইখন পথাৰ চলাইছিল, জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদ আৰু ভূপেন হাজৰিকাই। লোক-সংস্কৃতিৰ এইসকল দিক্‌পালৰ প্ৰকৃত উত্তৰাধিকাৰী আছিল কেশৱ মহন্ত। কেশৱ মহন্তৰ বাবেই যেন জন্ম হৈছিল খগেন মহন্তৰ। আচলতে খগেন মহন্তৰ প্ৰতিভা জন্মগত, ইয়াক প্ৰাণ দিলে তেওঁৰ ঐকান্তিক চেষ্টা আৰু পৰিশ্ৰমে। খগেন মহন্ত বুলি কওঁতেই পোণতে মনলৈ অহা গীতটোৱেই হৈছে—

"কাউৰী পৰে
কলৰে পাততে কাউৰী পৰে
আগলতি চিত মোৰ লৰে চৰে
দুম দুম দবাতে কোনে কোব মাৰে
আথাড়ৰ ডাৱৰৰ আঁৰে আঁৰে
অ' জেউতি, তোলৈ মোৰ মনত পৰে।"

গীতটোত পিয়ন এজনৰ কথা কোৱা হৈছে। চিঠি বিলাই ফুৰা এজন মানুহ। চিঠিবোৰ কেৱল কাগজত লিখা কিছুমান আখৰেই নে? গীতটোৰ মাজৰ ভাগত কোৱা হৈছে—

"চিঠিৰ বোজা মই
পিঠিত বান্ধি লৈ
পৰৰ চেনেহ কঢ়িয়াও
মোৰ হে চেনেহীয়ে কিনো ভাবিছে
তাৰ একো গমকে নাপাওঁ।
যোৱাকালি আঘোণতে
জেউতিৰে কোলাতে
এৰি অহা সৰু পোণাটিৰ
আজি থুনুক-থানাক মাতটি
ঘুনুক-ঘানাক উটি আহে—
দেউতা, বেগতে আহিবি
অবুজ চকুলো মোৰ সৰে ...।

সাধাৰণভাৱে চিঠি বিলাই ঘূৰি ফুৰা এজন মানুহে বুকুত কঢ়িয়াই

লৈ ফুৰা যন্ত্ৰণাৰ উজ্জ্বল ছবি এখনৰ বাবে, সেই মানুহজনৰ প্ৰতি সন্মান বা এধানি মৰম, তেওঁক পিয়াহৰ পানী গিলাচ বা ভোকত জলপান এমুঠিকে আগবঢ়াই দিয়াৰ মানসিকতা মানুহৰ মনত গঢ় লৈ উঠিবৰ বাবে ইয়াতকৈ সফল (effective) গীত হয়তো আৰু নোলাব!

অসংখ্য জনপ্ৰিয় গীতৰ মাজত শিল্পী গৰাকীক বাৰুকৈয়ে হৃদয় স্পৰ্শ কৰা গীতটো হ'ল—

'প্ৰিয়তম এই জীৱন
যে বোঁৱতী নদীৰ ধাৰ
যাৰ বাধা ভাঙি যোৱা প্ৰাণ
মই অন্তৰ মিলাও তাৰে ...।'

পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ গীতটোৰ কথা মনলৈ আহে—

টলবল পানীৰে
এখনি নৈ হৈ
মিলিব আমাৰে প্ৰাণত ...।' গীতটোৱে পাহাৰ-ভৈয়ামৰ বাদ-বিবাদ, অসূয়াক পৰিহাৰ কৰিবলৈ মানুহৰ মনত ইতিবাচক প্ৰভাৱ পেলাব পাৰে। অৱশ্যে ৰাজনৈতিক সমাধান অবিহনে পাহাৰৰ সমস্যা শেষ নহয় আৰু আমি পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ ছবিখন তেতিয়ালৈকে আধাকৈহে কল্পনা কৰিব পাৰো। কিন্তু অ-ৰাজনৈতিক কথাবোৰক এই গীতটিয়ে অনুপ্ৰাণিত কৰিব পাৰে কাৰণ ইয়াত কৈছে—

'তই পিৰীতি পাহাৰৰে
মই পিৰীতি ভৈয়ামৰে
দেহা পিৰীতিৰে সাজ
পখিলা নচাদি নাচ ...।' পাৰে, গীতে মানুহক জানোৱাৰ হোৱাৰ পৰা আঁতৰাই ৰাখিব পাৰে।

১৯৫৮ চনতেই বিদেশী প্ৰব্ৰজনৰ সমস্যাক লৈ ৰুদ্ৰ বৰুৱাৰ গীতত কণ্ঠ দিছিল তেওঁ—

"মোৰ অসমীৰে হাবি বননিতে
চেকুৰা-চেকুৰি সোণে জিকেমিকাই থাকে...।"

খগেন মহন্তই প্ৰায় পঁচিশখন ছবিত গান গাইছে আৰু চাৰিখন ছবিৰ সংগীত পৰিচালনা কৰিছে। "দিগ্‌দাৰি দিগ্‌দাৰি বৰ দিগ্‌দাৰি, গাড়ীৰ চাকৰি কৰা বৰ দিগ্‌দাৰি', 'বাঁহৰ মূঢ়া বগৰীৰ গুড়া', 'তুমি হেনো কৰুণা সাগৰ', 'যায় অ' কানু বায় বেণু', 'জোনটি ওলালে তৰাটি ওলাব', 'অ' ফুলপাহ হালিছে জালিছে' আদি গীতেৰে মহন্তৰ এক সুকীয়া 'ইমেজ' গঢ়ি উঠিছিল।

কেশৱ মহন্তৰ প্ৰগতিশীল প্ৰমূল্যক সুৰৰ বান্ধোনেৰে বান্ধোতেই খগেন মহন্তৰ প্ৰগতিশীল মানসিকতাও সেয়ে ভাস্বৰ হৈ উঠিছে। যুগে যুগে লাঞ্চিত-বঞ্চিত জনতাৰ তেজ শোষণ কৰি কৰি পেটুৰা হৈ যোৱা শাসকৰ পৰিণতিৰ কথা কোৱা তেওঁৰ কণ্ঠত শুনা যায়—

'এখন দেশত এক ৰজা আছিল
লঘু দোষত গুৰু দণ্ড দিছিল
সেই ৰজাৰ শেষ দশা জানে
আইতাই, জানে আইতাই।'

খগেন মহন্ত এনে এজন সুৰকাৰ আৰু গায়ক, যাৰ গীতত উত্থাপিত হয় সজোৰে মেহনতী জনতাৰ ওপৰত চলা শোষণ-নিৰ্যাতন, জাত-পাত-ধৰ্ম-সম্প্ৰদায়ৰ বিভীষিকাত জুৰুলা ৰাইজৰ যন্ত্ৰণা আদি জীয়া প্ৰসংগবোৰ। সেয়ে আমি 'ঘন ক'লা কয়লাৰ ৰাতি' গীতটোত পাওঁ—

'এই কংসৰ কাৰাগাৰ
হিংসাৰ অনাচাৰ
লাঞ্চিতা দৈৱকী মাতৃ
গণমন গৰজন
জনমৰ শুভক্ষণ
বেদনাৰ অষ্টমী ৰাত্ৰি
সাজু হোৱা অ' মহাসতী।'

সমাজ-চেতনাৰ বিদ্ৰূপাত্মক প্ৰকাশ আনহাতে শুনো তেওঁৰ এই গীতত—

'বৰঘৰৰ মেকুৰী সৰু ঘৰলৈ যায়
সৰুঘৰৰ মানুহবোৰে খোজত চিনি পায়
সহজ সৰল মানুহবোৰে খোজত চিনি পায়'

'বৰঘৰ' আৰু 'সৰুঘৰ'ৰ ব্যৱধানেৰে সমাজখনক উদঙাই দিয়া এই গীতৰ প্ৰখৰ যুগ চেতনাই গীতিকাৰ আৰু সুৰকাৰ-গায়ক দুয়োকো কৰি তুলিছে চহা ৰাইজৰ আপোনৰো আপোন। 'সুমলাৰ জীয়েকক চাওঁ বুলি সোমালোঁ/সোণাপুৰত কিহবাৰ জুই' বোলা বিখ্যাত গীতটোতো আকৌ অশান্তি জৰ্জৰ, সংঘৰ্ষ জৰ্জৰ দেশ আৰু সাধাৰণ ৰাইজৰ প্ৰসঙ্গকেই টানি অনা হৈছে।

নিপীড়িত-নিৰ্যাতিত হৈও আশাৰে সন্তানৰ মুখলৈ চাই ৰোৱা মাতৃৰ বিষাদ মৰ্মে মৰ্মে অনুধাৱন কৰিব পাৰিছিল বাবেই হয়তো তেওঁৰ পক্ষে এই গীত গোৱা সম্ভৱ হৈ উঠিছিল—

'কোনে ক'লে মোৰ ঘৰ নাই
এই নিশালৈ মই অহালৈ
আয়ে আছে বাট চাই
ঘৰে ঘৰে মোৰ আই!'

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সান্নিধ্য খগেন মহন্তৰ বাবে আছিল অতি গুৰুত্বপূৰ্ণ। বিষ্ণুপ্ৰসাদ ৰাভাই খগেন মহন্তৰ সংগীতময় যাত্ৰাক অধিক গভীৰ কৰি তুলিছিল। বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যুৰ দিনা নৱগ্ৰহ শ্মশানত খগেন মহন্তই সেই বিষ্ণু ৰাভাৰ শেষ গীতটোত সুৰ দি গাইছিল—

'এয়ে মোৰ শেষ গান
জীৱন নাটৰ
শেষ ৰাগিনী
কল্যাণ খৰমান ...'

এই গীতটিয়ে লক্ষ লক্ষ জনতাৰ বুকুত যি সাঁচ বহুৱালে, সেই সাঁচ আজিও মচা যোৱা নাই। হয়তো জীৱন নাটৰ শেষ ৰাগিনীত ৰাভাই বুকুৰ তেজেৰে লিখিছিল সেই কবিতা, সেই গীত, যাক চকুৰ পানীৰে মচিব নোৱাৰি। জীৱন হয়তো এনেকুৱাই। অলপ হাঁহি, অলপ অশ্ৰু, অলপ নুবুজা সাঁথৰ। জনসাধাৰণৰ হৃদয়ত সাঁচ বহুৱাই যোৱা আন আন গীতবোৰৰ ভিতৰত— 'অ' মায়াভৰা এই ধৰা/মোহেৰে আৱৰা/এন্ধাৰে আৱৰা/বুলিলে উজুটি খাওঁ', 'বতাহত নুমালে ভকতি-চাকিটি/ গোঁসাই মোৰ নেৰিবা পাৰ/পাৰ কৰি নিবা তুমি গুৰি ধৰি/এই বুৰোঁ বুৰোঁ নাও', 'দুখৰেনো ৰাতিটো কেতিয়া পুৱাব/অসমী আইৰ মুখখনি কোনে উজলাব?', 'অ' দেহা ক'লা হ'লে থাকে দুদিনলৈ'/মন ক'লা হ'লে ভাঙে', 'পাৰৰ পাখিত গাঁথি দিলোঁ/ ফুলাম চিঠিখনি/জনাওঁ বুলি জগতখনক/বিহুৰ ওলগনি', 'আৰু যে সময় নাই/ব'লা ওলাই যাওঁ/মেঘে গাজক ধুমুহা আহক হাতীৰো পিছলক পাৰ/ব'লা ওলাই যাও', 'অ' ৰ'দ ৰ'দালি/সোণ চিকিমিকি আজলি আজলি', 'আমাৰ গাঁৱৰে ধাননি পথাৰে/ৰিঙিয়াই মাতে মোক হাত বাউলি', 'বৰযুণৰ বতৰত মইনা নুঠে মটৰত/পিচল বাটত সুচল লাগি/ধুপুচ ধুপুচ পৰে/ মইনাৰে মনটো বৰদৈচিলা হৈ/মেঘলৈ উৰা মাৰে', 'মা আমি শদিয়ালৈ যামেই/মা আমি সতফুল খামেই/বাঙ্কিম আমি বাঙ্কিম মা কেঁচাপাতত লোণ', 'কিহৰ শব্দ কিহৰ ধোঁৱা/অন্ধ তইঁত/বন্ধ কৰিব পাৰিবিনে মোৰ শব্দ/ মোৰ গান গোৱা', 'ওপৰে উৰি গ'ল ৰূপৰ পাৰ যুৰি/কলিজাত পেলাই গ'ল ছাঁ', 'তোমাৰ খোজৰ ধূলি/ মোৰেই অতীত বুলি/শিৰত তুলি ললোঁ', 'যায় অ' কানু বাই বেণু/কোন দুবৰিৰ মথুৰালৈ' যায়', 'জোনটি ওলালে তৰাটি ওলাব/ জোনক জানো সুধি চায়', 'নিজৰ ঘৰতে তই/নিজ হাতে লগালি জুই/ভিতৰৰ নল'লি গম', 'হয়েৰা জেতুকি বাই/চুলি তোৰ পকালি, দাঁতবোৰ সৰালি/পৰৰ ঘৰে ঘৰে নাম গুণ গাই', 'এজাৰ ফুলা দেখি বেজাৰ কিয় কৰ/কিয় মনে মাৰি থাক অ' মোৰ দেহি ঐ/আছে নে মোলৈ তোলৈ যিটো মোৰ চিত', 'আম লমালমে লাগে, দ'মে দ'মে সৰে/খালে বামে পৰে, 'অ' তুলতুল অ' বুলবুল/ অ' সেউতী তৰা/লুকাভাকু ভাল নালাগে/খেল কইনা-দৰা, 'বিহুৰে বিৰিণা পাতে অ' বহনা/ বিহুৰে বিৰিণা পাত', 'ধনশিৰি পাৰে হৈ ঢপলিয়াই আহিলোঁ', 'দুনীয়া আমাৰ আস্তানা/দিল মচগুল মস্তানা', 'প্ৰভু মই কিনো পাপে কৈলো, গুৰু মই কিনো পাপে মৈলো ...', 'গামোচাৰে আঁচলতে পদুমৰে চকা, মুৰতে মেৰিয়াই আহে পাহোৱাল ডেকা', 'এই বান বাৰিষাৰ বান বাৰে বাৰে সহিম কিমান ...', 'হৰ হৰ নন্দী ভৃংগী তুতি কৰে গন্ধৰ্ব কিন্নৰে ...', 'নাহৰ ফুলা নাই, তগৰ ফুলা নাই নাই ...', 'প্ৰথম দেখাৰ মধুবেলা, মনত আছে জানো লিখা ...', 'পলাশ ৰাঙলী হ'ল, মনো ৰাঙলী হ'ল ...', 'চিনাকী চিনাকী কোনে ৰিঙি মাৰে ...', 'উজায়ে চালোঁ হাট মহঙা, ভটিয়াই চালোঁ হাট মহঙা, চকু চাই দেখিলো পানী', 'সোণেৰে গঢ়ালোঁ সঁচৰুৱা খাৰু বৰ, লোকে পিতলৰ বোলে', 'ইফালে ঢোলৰ মাত, সিফালে পেঁপাৰ মাত, মাজতে নাচনী...', 'আই অ' শিপিনী কেঁচা ৰ'দৰ ৰেঙনি এচেৰেঙা গালে মুখে পৰে', 'ভাল লাগি যায় অ' দুখ ভাগৰ নাই, দেহা মোৰ কৰে ৰাইজাই', 'পলাশ ৰাঙলী হ'ল মনো ৰাঙলী হ'ল', 'ৰিব্ ৰিব বতাহ বলে ...' আদি অন্যতম।

গণশিল্পীজনৰ জীৱন-ৰেখা ঃ-

১৯৪২ ঃ ১৭ আগষ্ট, নগাঁৱৰ জাজৰি বগৰিগুৰি আমত'লা গজৰা সত্ৰত জন্ম।
পিতৃ ঃ হৰেন্দ্ৰ নাথ মহন্ত
মাতৃ ঃ লক্ষ্মীপ্ৰিয়া মহন্ত।

১৯৫৭ ঃ নগাঁও চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ। শ্বিলঙৰ ছেইণ্ট এডমাণ্ডছ কলেজত নামভৰ্তি।

১৯৫৯ ঃ মহীশূৰত অনুষ্ঠিত সৰ্বভাৰতীয় আন্তঃ মহাবিদ্যালয় যুৱ-

মহোৎসৱত খোল বাদন কৰি সোণৰ পদক লাভ। নগাঁও কলেজত নামভৰ্তি।

১৯৬০ ঃ ভাষা আন্দোলনৰ সময়ত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, গণশিল্পী হেমাংগ বিশ্বাস, যুগল দাস আদিৰ উদ্যোগত গঠিত 'হাৰমনি গ্ৰুপ'ৰ সক্ৰিয় সদস্য হিচাপে সমগ্ৰ অসমতে শান্তিৰ হকে গীত পৰিৱেশন।

১৯৬১ ঃ কলিকতাত অনুষ্ঠিত বিশ্ব শান্তি মেলাত যোগদান। 'শকুন্তলা' ছবিত অভিনয়। চলচিত্ৰ 'মৰম তৃষ্ণা'ৰ গীতত কণ্ঠদান।

১৯৬২ ঃ নগাঁও কলেজৰ পৰা স্নাতক ডিগ্ৰী অৰ্জন। গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰথমে ইংৰাজী বিভাগ আৰু পিছলৈ বুৰঞ্জী বিভাগত নামভৰ্তি। স্নাতকোত্তৰ শ্ৰেণীৰ শিক্ষা আধৰুৱা।

১৯৬৪ ঃ আকাশবাণীৰ গায়কৰূপে স্বীকৃতি লাভ।

১৯৬৫ ঃ সাংস্কৃতিক বিনিময় কাৰ্যসূচীৰ অংশ হিচাপে নেপাল ভ্ৰম। আনুষ্ঠানিকভাৱে আকাশবাণীৰ বাবে কেশৱ মহন্তৰ ৰচনা 'তোমাৰ খোজৰ ধূলি, মোকেই অতীত বুলি, শিৰত ললোঁ তুলি' শীৰ্ষক প্ৰথমটো গীত বাণীবদ্ধ।

১৯৭২ ঃ আকাশবাণী সুগম সংগীত আৰু লোক সংগীতৰ এ-গ্ৰেড শিল্পীৰ স্বীকৃতি লাভ।

১৯৭৩ ঃ সুকণ্ঠী গায়িকা তথা অভিনেত্ৰী অৰ্চনা দাসৰ সৈতে বিবাহ।

১৯৭৬ ঃ আকাশবাণী গুৱাহাটী কেন্দ্ৰত সংগীত পৰিচালকৰ চাকৰিত যোগদান।

১৯৭৯ ঃ প্ৰথমবাৰৰ বাবে চলচিত্ৰৰ সংগতী পৰিচালনা, 'বন্ধু'ৰ দ্বাৰা পৰিচালিত চলচিত্ৰ 'মেঘমুক্তি'ৰ সংগীত পৰিচালক।

১৯৮০ ঃ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সংগীত প্ৰযোজকলৈ পদোন্নতি।

১৯৮৩ ঃ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সংগীত প্ৰযোজকলৈ পদোন্নতি।

১৯৮৪ ঃ 'বস্ত্ৰ দিয়া শিপিনি সমাজ' শীৰ্ষক সংগীতালেখ্য পৰিচালনা কৰি আকাশবাণীৰ বাৰ্ষিক প্ৰতিযোগিতাত পুৰস্কাৰ লাভ।

১৯৮৮ ঃ ফিল্ম ক্ৰাফ্‌ট বঁটা লাভ।

১৯৮৯ ঃ ৰেডিঅ' ডকুমেণ্টৰী 'লিজেণ্ড অব্ লোহিত'ৰ বাবে সন্মান লাভ।

১৯৯০ ঃ বৰগীতৰ প্ৰচলিত গায়ন শৈলীৰ মাজত একধৰণৰ ঐক্য আনিবৰ বাবে অসম চৰকাৰে গঠন কৰা সমিতিৰ সদস্য নিৰ্বাচিত। ৰজত কমল বঁটা লাভ কৰা হোমেন দাস পৰিচালিত ছবি 'যুঁজ' ছবিত সংগীত পৰিচালনা। টেলিফিল্ম 'নিশি উজাগৰী'ৰ সংগীত পৰিচালনা।

১৯৯২ ঃ সংগীত নাটক একাডেমী বঁটা লাভ।

১৯৯৩ ঃ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সহকাৰী কেন্দ্ৰ সঞ্চালকলৈ পদোন্নতি। 'শ্ৰীময়ী' বঁটা লাভ। কলকাতাত অনুষ্ঠিত লোকগীতৰ আন্তৰ্জাতিক কনচাৰ্টত অংশগ্ৰহণ।

১৯৯৬ ঃ ব্ৰিটেইনত সংগীত পৰিৱেশন।

১৯৯৭ ঃ 'অফিচ অব্ দ্য ডেপুটি ডাইৰেক্টৰ জেনেৰেল ইন নৰ্থ-ইষ্ট'ৰ ডেপুটী ডাইৰেক্টৰলৈ পদোন্নতি।

১৯৯৯ ঃ সংগীতাচাৰ্য বঁটা লাভ।

২০০১ ঃ আকাশবাণীৰ উত্তৰ পূব সঞ্চালকালয়ৰ উপ সঞ্চালক হিচাপে ৩১ ডিচেম্বৰত চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ।

২০০২ ঃ মঙলদৈ কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপন সমিতিৰ তৰফৰপৰা পত্নী অৰ্চনা মহন্তৰ সৈতে যৌথভাৱে 'সংগীত সুধাকৰ' সন্মান লাভ।

২০১৪ ঃ ১২ জুনৰ বিয়লি গুৱাহাটীৰ অম্বিকাগিৰী নগৰৰ নিগাজি পামত থকা বাসভৱনত আকস্মিকভাৱে পৰলোক। ১৩ জুনত গুৱাহাটীৰ পাঞ্জাবাৰীত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সমীপত ৰাজ্যিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন।

# ভ্ৰমণৰ মিঠা অনুভৱ

ড° দীপাংকৰ শৰ্মা
সহকাৰী অধ্যাপক, গণিত বিভাগ

কোনো এখন নতুন ঠাই ভ্ৰমণ কৰাৰ পিছত আমাৰ অভিজ্ঞতা হয়। সেই অভিজ্ঞতাত বহু কথাই সামৰি থাকে। ঠাইখনৰ প্ৰাকৃতিক পৰিবেশ, মানুহবিলাকৰ জীৱন যাপন পদ্ধতি, যাতায়ত ব্যৱস্থা, খাদ্যাভাস, ভাষা সংস্কৃতি, বজাৰৰ বিশেষত্ব, তাত থকা বা সংৰক্ষণ কৰা বিভিন্ন অনুষ্ঠান বা কীৰ্তিচিহ্ন ইত্যাদি ইত্যাদি। সেইবিলাকৰ পৰা আমাৰ অলপ হলেও জ্ঞান আহৰণো হয়। মোৰ দৃষ্টিত আৰু এক মূল্যবান আহৰণ হয়— নিজকে অন্য এখন ঠাইৰ মানুহৰ লগত তুলনা কৰিব পৰাৰ এক সুবিধা পোৱাটো, হয়তো তাৰ পৰাই আমি আত্ম বিশ্লেষণৰো সুবিধা এটি পাব পাৰো বা লব পাৰো।

দ্বিতীয়তে ভ্ৰমণৰ পৰা আমাৰ স্মৃতিৰ টোপোলাত সঞ্চিত হয় কিছুমান সুখৰ মুহূৰ্ত। ঠাই এখন ঘূৰি অহাৰ পিছৰ সময়বিলাকত সেই মুহূৰ্তবোৰৰ স্মৃতিয়ে মনত দোলা দি থাকে। খোজ পেলাই অহা বিশেষ এটুকুৰা ঠাইত আকৌ এবাৰ খোজ পেলাবৰ মন যায়। লগ পাই অহা কোনোবা এটি চৰিত্ৰক (ব্যক্তিক) আকৌ এবাৰ লগ পাবলৈ মন যায়। বছৰৰ বিভিন্ন ঋতুৰ আগমণৰ সময়ত মনলৈ আহে তাৰ আগৰ কোনোবা বছৰত সেই অনুকূল সময়ত পাৰ কৰি অহা ভ্ৰমণৰ স্মৃতি আৰু যদি সেই স্মৃতি ৰোমন্থন মধুৰ হয়, সেয়াওঁ ভ্ৰমণৰে এক ধনাত্মক প্ৰভাৱ বুলি মই ভাবো।

কৰ্তব্যৰ খাতিৰতেই হওঁক বা ঠাই চোৱাৰ নিচাতেই হওঁক, এতিয়ালৈ ভাৰতবৰ্ষৰ বহুকেইখন ঠাইলৈ যোৱাৰ সৌভাগ্য ঘটিছে আৰু এতিয়া সময়ে সময়ে সেই স্মৃতিৰ অনুভৱে মনত দোলা দিয়েহি। গোৰখপুৰ ৰেল ষ্টেচনৰ সমুখৰ শিৱাজী মূৰ্তিৰ সমীপৰ গুপ্তাজৰ ছাঁৰ অস্থায়ী দোকানত চাহ খাই খাই খবৰ কাগজ পঢ়া চেপ্টেম্বৰ মাহৰ প্ৰথম ঠাণ্ডাৰ কোমল অনুভৱে চুই যোৱা ফৰকাল পুৱাবোৰ (অৰিয়েণ্টেচন কৰ্চ কৰাৰ সময়ত), মন্দিৰ নগৰী উৰিষ্যাৰ অক্টোবৰ মাহৰ ফৰিং ফুটা জোনাকেৰে জিলিকি থকা সন্ধিয়াবোৰ, কুঁৱলী ফালি ফালি দাৰ্জিলিঙৰ সেই বিখ্যাত চাৰিআলিত কটোৱা জানুৱাৰী মাহৰ আবেলি, সূৰ্যৰ পোহৰত উজলি থকা গোৱাৰ সাগৰৰ মনোমোহা ঢৌবোৰ, দাক্ষিণাত্যৰ মন্দিৰৰ সেই মন্ত্ৰৰ নিচিনা সুৰৰ গীতবোৰ, কুশীনগৰৰ বৌদ্ধ স্তুপ পৰিদৰ্শনৰ পিছত তাৰ স্থানীয় বাসিন্দাৰ সুন্দৰ আপ্যায়ন সদায়ে মোৰ বাবে সজীৱ হৈ থাকিব পৰা মধুৰ স্মৃতি। আৰু হয়তো সেই ধৰণৰ ভাববোৰ মনলৈ অহাৰ পিছত নিজৰ দুখ বা কষ্টৰ অনুভৱো যেন কমি আহে। আমাৰ চিন্তাৰ পৰিসৰো কিছু বহল হয়। সেই বহল পৰিসৰত নিজৰ কষ্টবিলাক নগণ্য হৈ পৰে।

ডিচেম্বৰ মাহৰ শীতৰ মাজতে এবাৰ যোৱাৰ সৌভাগ্য হৈছিল উত্তৰাখণ্ডৰ নাইনিতাললৈ। অৱশ্যে আমাৰ যাত্ৰাৰ মূল লক্ষ্যস্থল নাইনিতাল নাছিল। আমি গৈছিলো পণ্ট নগৰৰ গোবিন্দ বল্লভ পণ্ট কৃষি আৰু কাৰিকৰী বিশ্ববিদ্যালয়ত অনুষ্ঠিত গণিত বিষয়ৰ এখনি আন্তৰ্জাতিক সন্মিলনত ভাগ লবলৈহে। সন্মিলনী আছিল ১৯ ডিচেম্বৰৰ পৰা ২২ ডিচেম্বৰলৈ। সেই উদ্দেশ্যেৰে ১৭ ডিচেম্বৰৰ ৰাতিপুৱা ৰাজধানী এক্সপ্ৰেছেৰে যাত্ৰা আৰম্ভ কৰিছিলো গুৱাহাটীৰ পৰা দিল্লী অভিমুখে। আৰম্ভণিতে খেলিমেলি লাগিছিল। এটা সংগঠনে আহ্বান জনোৱা ৰেল অৱৰোধ প্ৰতিবাদী কাৰ্যসূচীৰ বাবে দুঘণ্টা যোৱাৰ পিছতে আমি গোটেই দিনটো ৰৈ থাকিব লগা হৈছিল বঙ্গাইগাঁও ষ্টেচনত। সাতঘণ্টা পলমকৈ ট্ৰেইন এৰিছিল। পিছৰ পথছোৱাত অনুভৱ হৈছিল গুৱাহাটীৰ পৰা যোৱা ৰাজধানী এক্সপ্ৰেছখনে অসমৰ বাহিৰত বৰ প্ৰাধান্য নাপায়। ফলত আমি টিকট লৈ যোৱা দিল্লী-লালকুৱা এক্সপ্ৰেছ ৰেলখনে আমি নতুন দিল্লী পোৱাৰ দুঘণ্টা আগতে ষ্টেচন এৰিছিল। নিশাৰ ভাগত সেই পথেৰে আৰু অন্য ট্ৰেইনৰ ব্যৱস্থা নথকা বাবে আৰু পিছদিনা পুৱাতে সন্মিলনীত উপস্থিত হোৱাৰ সময় নিৰ্দিষ্ট হৈ থকাৰ বাবে আমি সৰু গাড়ী এখনেৰে সন্ধিয়া সাত বজাত যাত্ৰা আৰম্ভ কৰিলো। এঠাইত ৰাতিৰ আহাৰ খোৱাৰ পিছত ডাঠ কুঁৱলীৰ মাজে মাজে আমাৰ গাড়ীখন আগবাঢ়িল। নিশা প্ৰায় এক বজাত আমি ৰামপুৰ নামৰ ঠাইখনত ৰলো। দেখিলো ৰাতি সেই ঠাণ্ডাৰ মাজতো বহুত মানুহৰ ভিৰ। গম পালো যে ৰামপুৰ বহুকেইখন ঠাইৰ সংযোগস্থল। মোৰাদাবাদ-দিল্লী পথ, বেৰেলী-চাহাৰাণপুৰ পথ, কাঠগুডাম-নাইনিতাল পথ, লালকুৱা-পণ্টনগৰ পথ প্ৰভৃতি পথ কেইটামান আহি ৰামপুৰতে মিলিছেহি। মিঠাইৰ ডাঙৰ দোকান কেইখনমানত মানুহৰ ভিৰ দেখি তালৈ এখনলৈ আগবাঢ়িলো। মিঠাইৰ প্ৰতি থকা আকৰ্ষণে মোক কেইটামান মিঠাইৰ সোৱাদ নোলোৱাকৈ

নাৰাখিলে। সঁচাকৈয়ে বৰ উৎকৃষ্ট সোৱাদৰ আছিল মিঠাইবোৰ। তাৰ পিছত আমি অতিক্ৰম কৰা পথছোঁৱাৰ অৱস্থা বৰ ভাল নাছিল। লগতে ডিচেম্বৰৰ শেষ নিশাৰ ডাঠ কুঁৱলীয়ে গাড়ী চালককো বৰ অসুবিধা দিছিল। পুৱতি নিশা চাৰি বজাত আমি উপস্থিত হৈছিলো আমাৰ বাবে নিৰ্দিষ্ট কৰি ৰখা পন্তনগৰ University Guest House ত।

১৯ ডিচেম্বৰৰ ৰাতিপুৱাৰ পৰা আমাৰ সন্মিলনী আৰম্ভ হৈছিল, বিশ্ববিদ্যালয়ৰ বিজ্ঞান ভৱনত। চাৰিদিন ধৰি চলা এই আন্তৰ্জাতিক সন্মিলনত দেশৰ লগতে বিদেশৰো বহুকেইজন পণ্ডিতে তেখেতসকলৰ শেহতীয়া গৱেষণা কৰ্মৰ বিষয়ে অৱগত কৰে। তেখেতসকলৰ মনোমোহা প্ৰকাশ কৌশল বা উপস্থাপন পাহৰিব নোৱাৰি। বিশ্ববিদ্যালয়ৰ অত্যাধুনিক আৰু পৰিপাটী কৌশলকে ধৰি সন্মিলনীৰ বাবে আয়োজন কৰা অভ্যৰ্থনাৰ ব্যৱস্থাই আমাক বাৰুকৈয়ে সন্মোহিত কৰিছিল। সঁচাকৈয়ে তেওঁলোকৰ প্ৰচেষ্টা প্ৰশংসনীয়।

GB Pant Agriculture and Technical University, Pantnagar, Uttarakhand — 1960 চনত জন্মলভা, হিমালয়ৰ পাদদেশ তৰাইন অঞ্চলৰ ১৬০০ একৰ ভুমি আৱৰি থকা এইখন যদিও এখন কৃষি বিশ্ববিদ্যালয়, ইয়াত বৰ্তমান ৭ টা ভিন্ন খণ্ডত পাঠ দান বা গৱেষণা কৰ্ম হৈ আছে। সেইবোৰ হ'ল— Basic Science and Humanities, Agriculture, Vaterinary and Animal Science & Technology, Fishery Science, Forestry and Hill Agriculture, Home Science, Agri business, management and Horticulture.

বিশ্ববিদ্যালয়ৰ ভিতৰত আমি দেখিছিলো বহুকেইখন বিশাল খেতিপথাৰ। য'ত চকুৰে মনিব পৰালৈকে লক্ষ্য কৰিছিলো বিধে বিধে ধান, ঘেহু, বজ্ৰা ইত্যাদিৰ লহপহীয়া খেতি। জানিব পাৰিছিলো বিভিন্ন ঠাইৰ খেতিয়কক তালৈ আনি খেতিৰ আধুনিক কৌশলৰ কাৰিকৰী জ্ঞান প্ৰদান কৰা হয়। আমাক থাকিবলৈ দিয়া Guest House ৰ ওচৰতে আছিল দুটা বিশাল আকৃতিৰ Farmer House। ৰাজ্যৰ বা বাহিৰৰ বিভিন্ন ঠাইৰ খেতিয়কক প্ৰশিক্ষণৰ সময়ত তাত থকাৰ সুবিধা প্ৰদান কৰা হয়। ডাঙৰ ডাঙৰ পাগুৰী পৰিধান কৰা খেতিয়কৰ বহুকেইটা দলক আমি লগো পাইছিলো।

সন্মিলনীৰ পিছদিনা কাহিলী পুৱাতে এখন বলেৰো গাড়ীৰে আমি ওলাইছিলো নাইনিতাললৈ। ঠাইখন চোৱাৰ হেপাহ বহুদিনৰ পৰাই আছিল। পন্ত নগৰৰ পৰা উত্তৰ পশ্চিম দিশত এঘণ্টাৰ পথ অতিক্ৰম কৰি পাইছিলো কাঠগোদাম। কাঠগোদাম হৈছে সেই দিশত শেষৰটো সমতলীয় ষ্টেচন। তাৰ পিছৰ পৰাই আৰম্ভ হয়, ঘন অৰণ্যৰে ভৰা আঁকোৱা পকোৱা পাহাৰীয়া পথ। পাহাৰীয়া পথটো অলপ দূৰ যোৱাৰ পিছত ভাগ হৈ এটা গৈছে ৰাণিখেতলৈ আৰু এটা নাইনিতাললৈ। ঘন অৰণ্যৰ ডাঙৰ ডাঙৰ গছবিলাকৰ মাজেৰে আগবাঢ়োতে মোৰ মনলৈ আহিছিল তাহানী স্কুলীয়া দিনতে পঢ়া জিম কৰবেটৰ লিখনি "কুমায়ুনৰ নৰখাদক"ৰ সেই ঘন অৰণ্যৰ বৰ্ণনা। জিম কৰবেটৰ বাঘ চিকাৰৰ কাহিনীৰ বৰ্ণনাত থকা ঠাইখন এদিন যে ওচৰৰ পৰা এনেকৈ দেখা পাম, কেতিয়াওঁ ভবাই নাছিলো। সঁচাকৈয়ে প্ৰকৃতিৰ এক অনন্য ৰূপ। পুৱা প্ৰায় দহ বজাত আমি নাইনিতাল চহৰত উপস্থিত হলো। এক চকু চমকি ৰোৱা মনোমোহা দৃশ্য। ওখ পাহাৰৰ হেলনীয়া গাত ধুনীয়া গছবিলাকৰ মাজে মাজে সুন্দৰ অট্টালিকাবোৰ, মন্দিৰ, হোটেল আৰু শ্বপিং মলবোৰ আৰু পাহাৰে আবৰি থকা নাইনিতাল হ্ৰদ। Naini-Tal। Tal ৰ অৰ্থ হ্ৰদ। তেতিয়া নাইনিতালৰ ফটফটীয়া পানীত চমকি উঠিছিল, পুৱাৰ সূৰুযৰ প্ৰতিবিম্ব। চহৰখনত ভৰিদিয়েই অনুভব কৰিলো এটা প্ৰদুষণ বিহীন নিৰ্মল বাতাবৰণ। ইমানখিনি উচ্চতাত ডিচেম্বৰ মাহত এটি চিকমিকাই থকা উজ্জ্বল ৰ'দৰ পুৱা পাম বুলি আশা কৰা নাছিলো। গাবোৰ পাতল লাগিছিল। অনুভৱ কৰিলো— সঁচাকৈয়ে নাইনিতাল এখন স্বাস্থ্যকৰ ঠাই।

নাইনিতাল দিল্লীৰ পৰা ৩১০ কিঃমিঃ উত্তৰ-পূবত কুমায়ুন হিমালয়ৰ আটাইতকৈ জনপ্ৰিয় শৈল চহৰ। সাগৰ পৃষ্ঠৰ পৰা ১৯৫০ মিটাৰ (৬৮৩৮ ফুট) উচ্চতাত। বৰ্তমান জনসংখ্যা ৩৮,৫৫৯। সাক্ষ্যৰতাৰ হাৰ ৯১%। য'ত পুৰুষৰ সাক্ষৰতাৰ হাৰ ৯৮%। স্থায়ী বাসিন্দাসকলৰ বেছিভাগেই কুমায়ুনী, গাৰোৱালী ইত্যাদি স্থানীয় ভাষা ব্যৱহাৰ কৰে আৰু ব্যৱসায়ীসকলে হিন্দী বুজি পায় বা কবওঁ পাৰে। প্ৰধান খাদ্য ভাত, ৰুটি। বছৰৰ সৰ্বোচ্চ উষ্ণতা ৩০° ৰ তলতে থাকে।


স্কন্দ পুৰাণৰ মানস খণ্ডত উল্লিখিত বিৱৰণ অনুসৰি নাইনিতাল হ্ৰদৰ প্ৰাচীন নাম হ'ল ত্ৰি-ঋষি সৰোবৰ। সেই স্থানত অতীজৰ কোনো সময়ত পানীৰ অভাৱ হোৱাত অত্ৰি, পুলস্ত আৰু পুলহ এই তিনিগৰাকী ঋষিয়ে এটা ডাঙৰ খাল খান্দে আৰু তিব্বতৰ মানস সৰোবৰৰ পৰা পানী আনি সেই খাল ভৰ্তি কৰে। পিছত প্ৰজাপতি


দক্ষৰ যজ্ঞত প্ৰাণ আহুতি দিয়া সতীৰ দেহ ভগৱান শিৱই কঢ়িয়াই নিয়াৰ সময়ত সেই হ্ৰদত সতীৰ চকু অংশ সৰি পৰে। সেই অনুসাৰে সেই হ্ৰদৰ নাম হয়গৈ নাইনিতাল। (নয়ন-নয়না-নাইনি)। বৰ্তমানে হ্ৰদৰ উত্তৰ দিশত থকা নাইনি মন্দিৰতো দেৱীৰ পূজা অৰ্চনা কৰিবলৈ অলেখ ভক্তৰ সমাগম হয়। মন্দিৰৰ কাষতে স্থাপন কৰা হৈছে এটি মছজিদ আৰু এটি গুৰুদ্বাৰ। সকলো ধৰ্মৰ পৰ্যটকক আকৰ্ষণ কৰিবলৈ ই এক যেন পৰিকল্পিত ব্যৱস্থা। হ্ৰদটোৰ পাৰে পাৰে আছে প্ৰয়োজনীয় সামগ্ৰীৰ বহুতো দোকান। ইয়াৰ ভিতৰত বিদেশী কাপোৰৰ দোকান বিলাকে পৰ্যটক সকলক বৰকৈ আকৰ্ষণ কৰা দেখিলো। নাইনিতালৰ এক উল্লেখযোগ্য সামগ্ৰী হ'ল থলুৱা ভাবে প্ৰস্তুত কৰা বং বিৰঙী মমৰ বিভিন্ন আকৃতিৰ ধুনীয়া ধুনীয়া সামগ্ৰী। বজাৰ কৰাৰ লোভ সামৰিব নোৱাৰিলো। আমাৰ মোনাবোৰ ভৰি আহিল।

মন্দিৰৰ কাষৰ Roap way point ৰ পৰা পাহাৰৰ বহু ওপৰৰ ঠাই এটুকুৰালৈ যাব পাৰি। আমিওঁ সেই সুযোগ গ্ৰহণ কৰিলো। তাতো এখন বজাৰ। পাৰ্ক। তাৰ snow view point ৰ পৰা দেখিছিলো কাঞ্চনজংঘা পৰ্বতৰ গাৰ বৰফত দুপৰীয়াৰ সূৰ্যৰ পোহৰ প্ৰতিফলিত হৈ সৃষ্টি কৰা মন জুৰোৱা সৌন্দৰ্য। অনুভৱ কৰিছিলো— প্ৰকৃতি সৃষ্ট সাগৰৰ ঢৌ আৰু পৰ্বতৰ বৰফৰ ৰ'দৰ চিক্‌মিকনিৰ সৌন্দৰ্যই মানৱ সৃষ্ট সকলো সৌন্দৰ্যকে যেন চেৰ পেলাব পাৰে।

পাহাৰ আৰু হ্ৰদৰ মাজৰ অলপ ঠাইতে ইমান বজাৰ, হোটেল, লজ ইত্যাদি ভৰি থাকিলেও নাইনিতালৰ পথত বা হ্ৰদৰ পানীত দেখা পোৱা নাছিলো এটাওঁ পলিথিনৰ বেগ। পৰিৱেশ সুস্থ কৰি ৰাখিবলৈ স্থানীয় প্ৰশাসনৰ লগতে তাৰ বাসিন্দা, ব্যৱসায়ী সকলোৱে সমানে সচেতন।

নাইনিতালত চাব লগা অন্যান্য ঠাইবোৰ হ'ল চিৰিয়াখানা, ইকভেন পাৰ্ক, হনুমান গড়ি, ভীমতাল, সাততাল, সুৰ পাতাল ইত্যাদি। দিল্লী-পণ্টনগৰ যাত্ৰাৰ নিশাৰ অভিজ্ঞতা, সন্মিলনীৰ মুহূৰ্তবোৰ, নাইনিতালৰ প্ৰাকৃতিক দৃশ্য, এই সকলোবোৰ মধুৰ স্মৃতি লগত লৈ আমি ২৪ ডিচেম্বৰৰ পুৱা কুঁৱলীৰ মাজে মাজে আহি উপস্থিত হলো লালকুৱা ষ্টেচনত। তাৰ পৰা বেৰেলী জংচন। তাতে ৰাজধানী এক্সপ্ৰেছ ধৰি পালোহি আমাৰ চিনাকি গুৱাহাটী।





# উপকাৰী অণুজীৱ ঃ প্ৰোবায়'টিক্স

ৰেখা ছেত্ৰী
সহকাৰী অধ্যাপিকা, প্ৰাণী বিজ্ঞান বিভাগ

অণুজীৱ সমূহ পৰিস্থিতি তন্ত্ৰৰ এক আৱশ্যকীয় উপাদান আৰু সিহঁতে মানৱ জাতিক বিভিন্ন ধৰণৰ সেৱা আগবঢ়ায়। সাধাৰণতে অণুজীৱ যেনে— বেক্টেৰিয়া, ভাইৰাছ আদিক আমি মানুহকে আদি কৰি অন্যান্য জীৱৰ বিভিন্ন ৰোগৰ কাৰক বুলিয়ে জানোঁ আৰু সেয়েহে সৰ্বসাধাৰণৰ কাৰণে অণুজীৱ মাত্ৰেই অপকাৰী। পিছে এইটো এটা বহুল প্ৰচলিত ভ্ৰান্ত ধাৰণা। কিয়নো এনে কিছুমান অণুজীৱ আছে যিবোৰে নেকি জীৱৰ উপকাৰহে সাধন কৰে। প্ৰোবায়'টিক্স সমূহ হৈছে এনে কেতবোৰ উপকাৰী অণুজীৱ আৰু সিহঁতে প্ৰাকৃতিক ভাৱে মানুহ আৰু অন্যান্য জীৱৰ পাচন নলীত থকা 'বন্ধু বেক্টেৰিয়াৰ দৰে" জীৱৰ হিত সাধন কৰে।

আক্ষৰিক অৰ্থত প্ৰোবায়'টিক্স মান জীৱৰ কাৰণে অৰ্থাৎ সেইবোৰ বিশেষ অণুজীৱ যিবোৰক নেকি জীৱিত অৱস্থাত পৰিমিত পৰিমাণত গ্ৰহণ কৰিলে গ্ৰহণকাৰী মানুহ বা জন্তুৰ উপকাৰ হয়। কিয়নো সিহঁতে অন্ত্ৰত উপকাৰী অণুজীৱৰ এক অনুকূল সমতুলতা স্থাপন কৰাৰ লগতে পুষ্টিৰ বৰ্দ্ধনতো সহায় কৰে। বিংশ শতিকাৰ প্ৰাৰম্ভতে Elie Metchnikoff নামৰ ন'বেল বঁটা বিজয়ী বৈজ্ঞানিক গৰাকীয়ে পোনতে প্ৰোবায়'টিক্সৰ ধাৰণাটো আগবঢ়াইছিল। তেওঁ লক্ষ্য কৰিছিল যে বুলগেৰিয়াৰ অঞ্চল বিশেষৰ খেতিয়ক সকলৰ গড় আয়ুস তুলনামূলকভাৱে অইনতকৈ বেছি। এই গাঁওবাসীসকলে প্ৰচুৰ পৰিমাণে দৈ আৰু দৈৰে তৈয়াৰী আহাৰ খাইছিল। এই কথাটিয়ে তেওঁৰ মনত উৎসুকতাৰ জন্ম দিছিল যিহেতু দৈত লেক্ট'বেছিলাছ এচিড'ফিলাচ (Lactobacillus acidophilus) নামৰ বেক্টেৰিয়া এবিধ থাকে। আৰু পৰৱৰ্তী গৱেষণাৰ ফলত প্ৰোবায়'টিক্সৰ ধাৰণাটোৰ জন্ম হৈছিল।

বেক্টেৰিয়া আৰু ভেঁকুৰ উভয়ে প্ৰোবায়'টিক্স হ'ব পাৰে। অৱশ্যে অধিকাংশ প্ৰোবায়'টিক্সেই বেক্টেৰিয়া। প্ৰোবায়'টিক্স অণুজীৱ সমূহৰ ভিতৰত বহুল ব্যৱহৃত অণুজীৱ বিধ হ'ল লেক্টিক এচিড বেক্টেৰিয়া (LAB)।

আমি সচৰাচৰ গ্ৰহণ কৰা বিভিন্ন কিম্বনিত (fermented) আৰু অকিম্বনিত (unfermented) খাদ্য যেনে ঃ- দৈ, লাচ্চি, আচাৰ আদিত প্ৰোবায়'টিক্স শ্ৰেণীৰ উপকাৰী অণুজীৱ প্ৰচুৰ পৰিমাণে থাকে। নিয়মিয়াকৈ উপযুক্ত পৰিমাণত এনেবোৰ আহাৰ গ্ৰহণ কৰিলে বিভিন্ন স্বাস্থ্যজনিত সমস্যাৰ পৰা হাত সাৰি থাকিব পাৰি।

আধুনিক চিকিৎসা ব্যৱস্থাত এণ্টিবায়টিকৰ ব্যৱহাৰ বাঢ়ি যোৱাৰ লগে লগে প্ৰোবায়'টিক্সৰ গুৰুত্বও বাঢ়িছে। চিকিৎসা জীৱ বিজ্ঞানৰ ক্ষেত্ৰখনত সম্পাদিত বিশদ গৱেষণাই দেখুৱাইছে যে প্ৰোবায়'টিক্স সমূহৰ ৰোগ আৰোগ্য কৰিব পৰা গুণ আছে আৰু সুস্বাস্থ্য বজাই ৰখাত সিহঁতে বিশেষ ভূমিকা পালন কৰে। বিগত কিছু বছৰৰ গৱেষণাৰ দ্বাৰা সাব্যস্ত হৈছে যে—

→ প্ৰোবায়'টিকে খাদ্যনলীৰ পৰা অনিষ্টকাৰী বেক্টেৰিয়া আঁতৰাই গেষ্ট্ৰ' এণ্টেৰাইটিছ ৰোগৰ পৰা সুৰক্ষা দিয়ে।

→ প্ৰোবায়'টিকে শৰীৰত শৰ্কৰাৰ পাচনত সহায় কৰে।

→ ভিটামিন 'বি'ৰ সংশ্লেষণ ত্বৰান্বিত কৰে।

→ কেলছিয়ামৰ শোষণত সহায় কৰে।

→ কিছুমান প্ৰোবায়'টিক্সে পাকস্থলীক সুস্থ কৰি ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা লয়।

→ খাদ্যজনিত বিষক্ৰিয়া ৰোধ কৰাৰ লগতে বিভিন্ন ধৰণৰ এলাৰ্জী আৰু চৰ্মৰোগ ৰোধত সহায় কৰে।

→ যকৃতক বিষাক্ত হোৱাত বাধা দিয়ে।

→ তেজত ক'লেষ্টেৰ'লৰ মাত্ৰা হ্ৰাস কৰে।

→ কিছুমান প্ৰোবায়'টিকে ইমিউন'গ্লবুলিন উৎপাদনকাৰী প্লাজমা কোষৰ সংখ্যা বঢ়োৱাৰ লগতে বিশেষ ধৰণৰ বগা ৰক্ত কণিকাৰ সক্ৰিয়তা বৃদ্ধি কৰি পৰোক্ষভাৱে শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা শক্তিশালী কৰি তোলে।

→ কিছুমান বেক্টেৰিয়াই হাইড্ৰ'জেন পেৰক্সাইড উৎপন্ন কৰি মহিলাসকলৰ "বেক্টেৰিয়েল ৰেজাইনেছিছ" জাতীয় প্ৰজনন তন্ত্ৰৰ অসুখ প্ৰতিৰোধ কৰে।

→ এষ্ট্ৰ'জেনৰ সন্তুলন বজাই ৰাখে।

→ দেহত বিশেষকৈ ক'ল'ন অংশত কৰ্কটৰোগ সৃষ্টি কৰা ৰাসায়নিক দ্ৰব্যৰ পৰিমাণ কমোৱাৰ লগতে সেইবোৰ নিষ্ক্ৰিয় কৰাত সহায় কৰে।

→ গৰ্ভৱতী মাতৃয়ে প্ৰোবায়'টিক্স অণুজীৱযুক্ত আহাৰ গ্ৰহণ কৰিলে কেঁচুৱাৰ এলাৰ্জীজনিত সমস্যা লাঘৱ হয়।

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হয় যে সুস্বাস্থ্য বজাই ৰাখিবলৈ সুযম খাদ্য তালিকাত প্ৰোবায়'টিক্স থকাটো যথেষ্ট জৰুৰী। লগতে কিছু পৰিমাণে প্ৰিবায়'টিক্স থাকিলে আৰু ভাল হয়। প্ৰিবায়'টিক্স হ'ল সহজে জীণ নোযোৱা শৰ্কৰা যিবোৰে প্ৰোবায়'টিক্সৰ খাদ্য ৰূপে কাম কৰে। গোটা শস্য, পিয়াজ, নহৰু, মৌ আদিত প্ৰিবায়'টিক্স থাকে। প্ৰোবায়'টিক্স আৰু প্ৰিবায়'টিক্স মিলি Synbiotics গঠন কৰে। দৈক Syabiotic বুলি কোৱা হয় কাৰণ দৈত জীৱিত বেক্টেৰিয়া থকাৰ লগতে দৈয়ে সিহঁতৰ জীয়াই থকাতো সহায় কৰে।

স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত প্ৰোবায়'টিক্সৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা অনুধাৱন কৰি ইতিমধ্যে বিভিন্ন কোম্পানীয়ে প্ৰোবায়টিক অণুজীৱ সমূহ বজাৰত টেবলেট, পাউদাৰ, কেপচুল বা পনীয়া পেয় দ্ৰব্যৰ ৰূপত উলিয়াই দিছে।

সুস্বাস্থ্য অটুট ৰাখিবলৈ আমিও নিয়মিয়াকৈ আমাৰ খাদ্য তালিকা প্ৰোবায়'টিক্স অন্তৰ্ভুক্ত কৰা উচিত।

---

# বীৰ চিলাৰায়

অনামিকা ৰাভা
স্নাতক ষষ্ঠ ষান্মাসিক

কোঁচ ৰাজ্য প্ৰতিষ্ঠাতা বিশ্বসিংহৰ ওঠৰজন পুত্ৰৰ ভিতৰত মহাৰাজ নৰনাৰায়ণ আছিল জ্যেষ্ঠ। তেওঁৰ কনিষ্ঠ ভাতৃ আছিল শুক্লধ্বজ। শুক্লধ্বজৰ জন্ম হৈছিল ১৫১০ খ্ৰীষ্টাব্দৰ মাঘী পূৰ্ণিমাত। বিশ্বসিংহৰ মৃত্যুৰ পাছত নৰনাৰায়ণ আৰু শুক্লধ্বজ দুয়ো ভায়ে কাশীত বিদ্যা শিক্ষা অধ্যয়ন কৰিছিল। এই সুযোগতে বিশ্বসিংহৰ তৃতীয় পুত্ৰ নৰসিংহই পিতৃৰ সিংহাসন দখল কৰে। নৰনাৰায়ণ আৰু শুক্লধ্বজ কাশীৰ পৰা ঘূৰি আহি জ্যেষ্ঠ পুত্ৰইহে পিতৃ সিংহাসন প্ৰাপ্য বুলি নৰসিংহৰ লগত যুদ্ধ কৰি পিতৃ সিংহাসন লাভ কৰে। জ্যেষ্ঠ ভাতৃ মল্লধ্বজ ওৰফে নৰনাৰায় এম সিংহাসন আৰোহণ কৰিয়েই শুক্লধ্বজক প্ৰধান সেনাপতি নিযুক্তি দিয়ে। প্ৰবাদ আছে যে শুক্লধ্বজে বিভিন্ন হাবি জংঘলৰ পৰা শুকুলা হাতী ধৰি আনি ৰজাক উপহাৰ দিয়াৰ বাবে নৰনাৰায়ণে তেওঁক শুক্লধ্বজ নাম দিছিল। সুনিপুণ যোদ্ধা তথা চিলাৰ দৰে ভৈৰৱী নদী ঘোঁৰাৰে একেজাঁপে পাৰ হব পৰা বাবে তেওঁক সংগ্ৰাম সিংহ বা চিলাৰায় নামেৰে জনাজাত। ৰায় শব্দটো এটা ৰাজকীয় সন্মানজনক উপাধি। সাহিত্য-সংগীত তথা শাস্ত্ৰ আদিত থকা পাণ্ডিত্যৰ বাবে শংকৰদেৱে 'পৰম ৰসিক গুৰু' আখ্যা দিছিল।

বীৰ চিলাৰায় হৈছে ভাৰতীয় নৌ-বাহিনীৰ জন্মদাতা। চিলাৰায়ে কোঁচ ৰাজ্য গৌড়ৰ পৰা মণিপুৰলৈ বিস্তাৰিত কৰিছিল। মণিপুৰ, জয়ন্তীয়া ৰাজ্য, তিপ্পেৰা, মৈৰাম, ডিমৰু, চিলেট আদি ৰাজ্য আছিল কোঁচ ৰাজ্যৰ কৰতলীয়া। আনকি আহোম আৰু কছাৰী ৰজায়ো চিলাৰায়ৰ হাতত বশ্যতা স্বীকাৰ কৰিছিল।

বীৰ চিলাৰায়ে 'সাৰৰতী' গ্ৰন্থখন ৰচনা কৰি প্ৰমাণ কৰিছিল যে তেওঁ এগৰাকী অদ্বিতীয় ব্যক্তি ; যিজন শাস্ত্ৰ আৰু শস্ত্ৰ উভয় দিশতে সমানে পাৰদৰ্শী। শংকৰদেৱৰ মহিমাময় মিলনে তেওঁৰ প্ৰতিভাক চূড়ান্ত শিখৰত উপনীত কৰিছিল। ১৫৭১ চনৰ চ'ত মাহৰ দৌল পূৰ্ণিমা তিথিত মহাবীৰ চিলাৰায়ৰ মৃত্যু হয়।

# ভাৰতৰ পৰিষ্কাৰ চহৰ Mawlynnong

নন্দা দেৱী
প্ৰাণী বিজ্ঞান বিভাগ

২০১৪ চনৰ জুলাই মাহৰ গৰমৰ বন্ধত উৎকট গৰম আৰু বৰষুণৰ মাজতো মাজে মাজে কিছু পৰিবৰ্তনৰ বাবেই কৰবালৈ ফুৰিব যাবলৈ মন কৰি শ্বিলঙলৈ যোৱাৰ সিদ্ধান্ত কৰিলো। আগতেও বহুবাৰ শ্বিলঙলৈ গৈছো যদিও এইবাৰৰ যাত্ৰাই মোৰ মনত মচিব নোৱাৰা সাঁচ বহুৱালে। ২১ জুলাই সোমবাৰে খু-উ-ব পুৱাই আমি যাত্ৰা আৰম্ভ কৰিছিলো আৰু ৮.৩০ বজাত শ্বিলং পাইছিলো। আমাৰ লক্ষ্য আছিল Mawlynnong। তালৈ যোৱা পথছোৱাৰ বৰ্ণনা ভাষাৰে প্ৰকাশ কৰিব নোৱাৰা। শাওণৰ মাহৰ বৰষুণ, এই এজাক ৰং বিৰঙৰ মেঘে ঢকা আকাশ, কুঁৱলীৰ মাজে মাজে যাত্ৰা, কৰবাত কিন্‌কিন্‌কৈ বৰষুণ, কৰবাত কিছু ডাঙৰ, তাৰ মাজত আকৌ ৰ'দ। সেই ৰ'দতেই জিলিকি উঠা পাহাৰৰ দাঁতিত খাচি গাঁও কিছুমান। ঘৰৰ মুধচৰ টিনৰ চালিত ৰ'দ পৰি জিলমিলাই উঠা দৃশ্য, সুদূৰ পাহাৰৰ জলপ্ৰপাত সমূহৰ মনোমোহা ৰূপ, বৰষুণ হৈ থকাৰ বাবেই অতি তীব্ৰ বেগেৰে বৈ থকা নিজৰা সমূহ। গোটেই পথছোৱাই আছিল সেউজ-সুন্দৰ। যাত্ৰা পথৰ দূৰত্ব বেছি নহয় যদিও বতৰ আৰু এঁকা-বেঁকা বাটেৰে গৈ থাকোতে কিছু সময়ৰ প্ৰয়োজন হয়। জনসংখ্যা কিছু সেৰেঙা। মাজতে এখন ঠাই পালো নাম, Pynarsla। তাতেই কিছুলোকৰ সমাগম দেখিলো; দেখিলো বজাৰ আৰু দূৰ দূৰণিৰ গাঁৱলৈ যাব পৰাকৈ যাতায়তৰ বাবে সাজু হৈ থকা সৰু সৰু গাড়ী কিছুমান। ৰং বিৰঙৰ ছাটি লৈ তামোলেৰে ওঠ ৰঙা কৰি খাচী মহিলাৰ ব্যস্ততাৰ ছবিও দেখিছিলো।

শ্বিলঙৰ পৰা দাউকীলৈ যোৱা পথেৰে গ'লে Mawlynnong পোৱা যায়। দাউকী ভাৰত-বাংলাদেশৰ সীমান্তত। উত্তৰ খাচী পাহাৰত অৱস্থিত। Mawlynnong হ'ল cleanest village of Asia. ২০০৩ চনত Discover India নামৰ এখন Travel Magazine ৰ মতে Mawlynnong হ'ল এচিয়াৰ ভিতৰতেই পৰিষ্কাৰ এখন গাঁও। অৱশ্যে ২০০৫ চনত ইয়াক 'cleanest village of India' হিচাপে গণ্য কৰা হয়। Mawlynnong ৰ পৰিৱেশ পৰিষ্কাৰ পৰিচন্ন। জনবসতি সেৰেঙা যদিও প্ৰতিঘৰ মানুহৰ ঘৰবোৰ পৰিষ্কাৰ আৰু আটোমটোকাৰীকৈ ৰখা। প্ৰতিঘৰ মানুহৰে ঘৰৰ আৱৰ্জনা পেলোৱাৰ বাবে বাঁহেৰে নিৰ্মিত কেইবাটাকৈ Dustbin থাকে। এই dustbin বোৰত গোটখোৱা আৱৰ্জনাবোৰ পুতি পেলাই তাৰ পৰা সাৰ উৎপাদন কৰি গাঁওবাসীয়ে খেতিপথাৰত ব্যৱহাৰ কৰে। ইয়াৰ বিভিন্ন খেতি হ'ল ইয়াৰ মানুহৰ জীৱিকাৰ উৎস। মুখ্য উৎপাদিত খেতি হ'ল তামোল আৰু ঝাড়ু। এই গাঁৱৰ মানুহৰ পৰা লব লগা শিক্ষা হ'ল পৰিষ্কাৰ পৰিচ্ছন্নতা। ইয়াত ঠায়ে ঠায়ে ৰাজহুৱা প্ৰস্ৰাবগাৰ (Paying Public Toilet) দেখিবলৈ পোৱা যায়। মূল চহৰৰ পৰা ইমান দূৰৈত অৱস্থিত যদিও তেওঁলোক পৰিষ্কাৰ পৰিচ্ছন্নতাৰ প্ৰতি স্বতঃস্ফূৰ্ত ভাবে সদা সচেতন। প্লাষ্টিকৰ ব্যৱহাৰ নিষিদ্ধ। ঠায়ে ঠায়ে বন সংৰক্ষণৰ সাপেক্ষে আৰু বনধ্বংসৰ বিপক্ষে শ্ল'গান লিখা থকা চাইনবোৰ্ড সমূহ দেখা গৈছিল। তেওঁলোকে গাঁওখনৰ সেউজ পৰিৱেশ অক্ষুণ্ণ ৰখাৰ প্ৰতিও সজাগ। শিক্ষিতৰ সংখ্যাও শতকৰা এশ ভাগ (১০০%)। এই গাঁওখনত ভোক গুচাবলৈ পৰিষ্কাৰকৈ আৰু থলুৱা জুটি লগা খাদ্য পাব পৰাকৈ সৰু সৰু দোকান কিছুমান আছে। মানুহখিনিও অতি অতিথি-পৰায়ণ আৰু সহজ-সৰল।

ইয়াত এখন খু-উ-ব ধুনীয়া মন আকৰ্ষণ কৰিব পৰাকৈ বাঁহৰ সাঁকো অৰ্থাৎ "Sky Walk" আছে। এই সাঁকোখন যথেষ্ট মজবুত। বাঁহ আৰু বেতেৰে নিৰ্মিত এই সাঁকোত উঠিলে বিহংগম দৃষ্টিত ভাৰত বাংলাদেশ সীমান্তত থকা গাঁওসমূহ দেখিবলৈ পোৱা যায় অৱশ্যে যদিহে বতৰ ভালে থাকে কাৰণ অতি দ্ৰুত গতিত বতৰ সলনি হৈ থাকে। কুঁৱলী আৰু বৰষুণ লগতে মেঘ-ৰ'দৰ লুকাভাকু অনৱৰতে উপলব্ধ। আমিও এই দৃশ্য উপভোগ কৰাৰ লোভ সামৰিব নোৱাৰিলো। সকলোতকৈ ভাল লাগিছিল Maylynnong ৰ ওচৰেৰে 'Riwai' গাঁওখনত থকা 'The Living Root Bridge'। এই 'Living Root Bridge' আছিল মোৰ বাবে কৌতূহলপূৰ্ণ। গাড়ীৰ পৰা নামি পথৰ দাঁতিতে থকা গাঁওখনৰ মাজেৰে যাব লাগে। ঘৰবোৰ পৰিষ্কাৰ পৰিচ্ছন্ন আৰু পৰিপাটিকৈ সজাই-পৰাই ৰখা। ৪০০ মিটাৰ দৈৰ্ঘ্যৰ পাহাৰুৱা শিলৰ এঢলীয়া পথেৰে প্ৰায় ১৫-২০ মিনিট নামি যাব লাগে। আৰম্ভণিতে সিপাৰৰ পৰা অহা সৰু ল'ৰা এটাক লগ পাই সুধিছিলো 'কিমান দূৰ' সি অনামিকা আঙুলিটো দেখুৱাই কৈছিল 'এক মিনিট', কিন্তু ........। বাটবোৰ আগবাঢ়ি গৈ থাকোতে ভয় আৰু শংকা হৈছিল লগতে ভাগৰ লাগিছিল। কাৰণ কিন্‌কিনাই থকা বৰষুণৰ ঠাইবোৰ বহুত পিছল হৈ আছিল। কিন্তু নাতি দূৰত তীব্ৰবেগে বৈ থকা পানীৰ শব্দ শুনি কিনো আছে চাবৰ হাবিয়াস হৈছিল। তললৈ নামি গৈ দেখা পালো

এখন শিলৰ নৈ, তীব্ৰবেগে বৈ থকা পাহাৰী নৈ আৰু নৈখনৰ ওপৰত এখন জীৱন্ত গছৰ শিপাৰে নিৰ্মিত সাকোঁ। আকৌ নৈখনৰ সিপাৰেও পাহাৰ। দুই পাহাৰৰ বাসিন্দাৰ যাতায়তৰ মাধ্যম হ'ল এই জীৱন্ত গছৰ শিলৰ সাঁকোখন। দুইপাৰে থকা দুডাল ৰবৰ গছৰ (Ficus elastica) শিপাবোৰ সংলগ্ন কৰি প্ৰকৃতিয়ে ইয়াৰ বাসিন্দাৰ বাবে সাঁকো তৈয়াৰ কৰিছে আৰু মানুহে তাৰ মাজে মাজে থকা খালিঠাইবোৰ পূৰণ কৰি যাতায়তৰ বাবে ব্যৱহাৰ কৰিবলৈ কিছু শিল বালি দি ব্যৱহাৰৰ উপযোগী কৰি তুলিছে। সঁচাই এক সুন্দৰ অনুভূতি। এনে সাঁকো তৈয়াৰ কৰোতে প্ৰকৃতিক বহুত বছৰ প্ৰয়োজন আৰু যিমানে দি যায় সিমানে সেই সাঁকো শক্তিশালীহে হৈ উঠে। মেঘালয়ত এনে সাঁকো হেনো আৰু বহুত আছে। সেই দৃশ্য অতি মনোৰম, তীব্ৰগতিত বৈ থকা পাহাৰুৱা নৈ, ডাঙৰ শিল এটাৰ ওপৰেৰে বৈ আহি ঠেকেছা খাই তললৈ পৰোতে হোৱা সেই শব্দই মোক স্তব্ধ কৰিছিল। তাৰ ওপৰত থকা প্ৰকৃতিৰ সেই গছৰ শিপাৰ সাঁকোৰে বাসিন্দাসকলক কৰা সহায়ৰ বাবে ভগৱানক কৰযোৰে প্ৰাৰ্থনা জনালো। কিছু সময় সেই দৃশ্য উপভোগ কৰি উভতি আহোতে কিন্তু বৰ ভাগৰ লাগিছিল কাৰণ পথছোৱা বৰ ঠিয় আছিল, তথাপিও মনত বহুত আনন্দ আৰু অনুভৱ লৈ উভতি আহিছিলো। এই যাত্ৰাত পাইছিলো অনাবিল আনন্দ আৰু আমেজ। বহুত স্মৃতিয়ে মনত সাঁচ বহুৱাই থলে আৰু সেই ঠাইৰ পৰা শিকিলো— পৰিষ্কাৰ পৰিচ্ছন্নতা।

# জিজ্ঞাসা

ভন্টিদীপা ৰাভা
স্নাতক দ্বিতীয় বৰ্ষ

তাক মোৰ বৰ ভাল লাগিছিল। তাৰ মাধুৰ্য্যতাই যেন তাৰ সংসৰ্গত মোক অন্য এক বিলাসী জগতৰ সন্ধান দিছিল। সেয়েহে সি মোৰ খুউব প্ৰিয় হৈ পৰিছিল। মাৰো তাক বৰ ভাল লাগিছিল, কিন্তু দেউতাৰ আছিল তাৰ প্ৰতি অপৰিসীম ঘৃণা।

মোৰ মৰম সুলভ হৃদয়ৰ আকৰ্ষণ তাৰ প্ৰতি দিনে দিনে বাঢ়ি যাব ধৰিলে। তাৰ অবিহনে যেন মোৰ দিনবোৰ হৈ পৰিছিল নিৰস অথবা বৃথা। তাক এৰি যেন মই এটা দিনো থাকিব নোৱাৰা হৈ পৰিছিলো। যিদিনা তাক লগ নাপাও সেইদিনা মোৰ খং অন্যৰ ওপৰত প্ৰয়োগ কৰিবলৈ লৈছিলো।

মোৰ আচৰণৰ পৰিৱৰ্তন দেউতাৰ চকুত পৰিছিল, তেওঁ মোৰ ওপৰত বিতুষ্ট হৈ পৰিছিল। এদিনাখনৰ কথা। সেইদিনা আবেলি যেতিয়া মই তাৰ কথা ডাঙৰ বাইদেউক কৈ আছিলো, তেতিয়া দেউতাই আমাৰ কথাবোৰ মনে মনে শুনি আছিল। দেউতাই মৰমসনা মাতেৰে মোক তেওঁৰ ওচৰলৈ মানি নি ক'বলৈ ধৰিলে—"শুনা মাজনী, তুমি খুউব বুজা ছোৱালী। তাৰোপৰি ডাঙৰো হৈছা। গতিকে তুমি তাক এৰা ভাল হব। সি সকলো ফালৰ পৰা স্বভাৱত বেয়া। গতিকে ....." মই তলমূৰকৈ থিয় হৈ ৰলো। দেউতাই পুনৰ কলে— "তুমি এতিয়া যাব পাৰা। কিন্তু তুমি এই স্বভাৱ নেৰিলে পৰিণাম বেয়া হব।" মই তাৰ পৰা আঁতৰি আহিলো।

সেইদিনাৰ পৰা মই যেন বৰ চিন্তাশীল হৈ পৰিলো। ভাবিব ধৰিলো, কি মই তাক এৰি দিমনে? পিছত ভাবিলো। তাৰ অবিহনে মই কেনেদৰে জীয়াই থাকিম। মই তাৰ অভাৱত অলপ সময়ো কটাব নোৱাৰো। অন্যহাতে দেউতাৰ আদেশ পালন কৰাটোও মোৰ কৰ্তব্য আছিল। অৱশেষত মই তাক ঘৰৰ বাহিৰত ৰেষ্টুৰেণ্টত লগ পাবলৈ ঠিক কৰিলো, য'লৈ মোক দেউতাই অনুসৰণ নকৰিছিল। দেউতাৰ বাদে মোৰ আন কোনো ব্যক্তিলৈ ভয় নাছিল। ৰেষ্টুৰেণ্টত লগ পোৱাটো নিয়মতিভাৱে চলি থাকিল। যেতিয়া তাৰ শ্যামবৰণীয়া ৰং আৰু মধুৰতা মই পাওঁ তেতিয়া গোটেই দিনটোৰ ভাগৰ অলপ সময়তে পাহৰি যাওঁ।

আপোনালোকে নিশ্চয় বেলেগ ধৰণে ভাবিছে, নহয়ননে? ভবাৰ কথা। কাৰণ মই আৰম্ভণিৰে পৰা আপোনালোকক তাৰ লগত চিনাকি কৰি নিদিলো। চিনাকি হব বিচাৰিলে চিনাকি কৰি দিব পাৰি। যাহওঁক এতিয়া চিনাকি হব খুজিছে যেতিয়া চিনাকি কৰি দিওঁ। বুজিছে— ভুল নুবুজিব। সি আৰু আন কোনো নহয়। মাত্ৰ ...

"একাপ গৰম চাহ"।

# নাঙেলী গীত

**বিজয়া ডেকা**
সহযোগী তথা মূৰব্বী অধ্যাপিকা
শিক্ষা বিভাগ

অসম বাৰে বহনীয়া সংস্কৃতিৰ ভঁৰাল। পাহাৰ-ভৈয়াম-নৈ-উপনৈবে আৱৰা অসমত নানা জাতি-ধৰ্ম-বৰ্ণৰ গোষ্ঠীৰ লোকে বাস কৰে। তেওঁলোকৰ প্ৰত্যেকৰে নিজস্ব ভাষা, কলা-সংগীত-নৃত্য-ৰীতি-নীতি আদি আছে— যাৰদ্বাৰা বহল অসমীয়া সংস্কৃতি গঢ়ি উঠিছে। সেয়ে অসমীয়া সংস্কৃতি অতি চহকী।

অসমীয়া সংস্কৃতিৰ বৰপেৰাত দৰঙী কলা-সংস্কৃতিয়ে এক বৃজন অংশ অধিকাৰ কৰি আছে। লোক-গীত, বনগীত, গৰখীয়া গীত, বিয়াগীত, চেৰাঢেক, ব্যাহৰ ওজাপালি, সুকনান্নি ওজাপালি, খুলীয়া ভাওৰীয়া, পুতলা নাচ, ঢুলীয়া, কালীয়া, নাগাৰা নাম, কমলা কুঁৱৰীৰ গীত, নাঙেলী গীত আদিৰে দৰঙী ক'লা-সংস্কৃতি অতি টনকিয়াল।

অতীজৰে পৰা দৰং এখন কৃষি প্ৰধান জিলা। কৃষক তথা গৰখীয়াসকলে মুকলি আকাশৰ তলত, মুকলি পথাৰত তেওঁলোকৰ মনৰ ভাৱ নানা ধৰণে প্ৰকাশ কৰি আহিছে। গৰখীয়াসকলে মনৰ ভাৱ-অনুভূতিৰে প্ৰকাশ কৰি গোৱা গীত সমূহক সাধাৰণতে 'নাঙেলী গীত' বোলে। গৰখীয়াৰ সৃষ্টি বাবে ইয়াক গৰখীয়া গীতো বোলে। এই গীতসমূহ কোনো চহা বা নিৰক্ষৰ কবিৰ মুকলি পথাৰ বা সমাজৰ বাহিৰত গোৱা যৌৱনৰ গীত।

'নাঙেলী' শব্দই নগ্নতাক সূচায়। 'নাঙঠ' শব্দৰ পৰাই 'নাঙেলী' শব্দৰ উৎপত্তি বুলি বিজ্ঞলোকে ক'ব বিচাৰে। কোনো কোনোৱে আকৌ নাঙল+ঈ=নাঙলী বা নাঙেলী অৰ্থাৎ নাঙল মাৰা বা হালবোৱা লোকৰ গীত বুলিও কব খোজে। "খেতি-বাতি, গৰু-ম'হ, নাঙল-জোঙেলী আদিৰ লগত সদা সৰ্বদাই সম্বন্ধ সম্পৰ্কান্বিত লোকে গোৱা গীতক (নাঙল+ঈ) নাঙেলী গীত বুলিব পাৰি" (চহৰীয়া ঃ ২০০৭ ঃ ২১৫)

নাঙেলী গীত সমূহৰ কোনো স্বৰলিপি নাই। এইবোৰ মুখে মুখে চলি অহা গীত। গৰখীয়াসকলে গৰু চৰাওতে বা উমলোতে গোৱা এই গীতবোৰৰ মূল উদ্দেশ্য হ'ল দুখ-ভাগৰ বা শ্ৰম লাঘৱ কৰা আৰু আনন্দ-বিনোদন লাভ কৰা। বিহুগীত যৌনগন্ধী হোৱাৰ দৰে এই গীতবোৰো যৌনগন্ধী। বিহুগীতত নানান বাদ্যযন্ত্ৰ যেনে- ঢোল-পেপা-গগণা-তাল আদি ব্যৱহাৰ হয়। কিন্তু নাঙেলী গীতত কোনো বাদ্যযন্ত্ৰৰ ব্যৱহাৰ নাই। নাঙেলী গীতত কেৱল ল'ৰা বা নিৰক্ষৰ কবিৰ আবেগ-অনুভূতিবোৰ প্ৰকাশ পায়। ইয়াত প্ৰেম-নিবেদন অথবা গালি-গালাজ সুৰীয়াকৈ আৰু অশ্লীলতাৰ মাজেৰে প্ৰকাশ পায়। মুকলি পথাৰত গোৱা বাবেই বিনা সংকোচে গৰখীয়াসকলে এই গীতবোৰৰ মাজেৰে মনৰ ভাৱ প্ৰকাশ কৰে। সেইবাবে বিষয়বস্তু অনুসৰি 'নাঙেলী' গীতবোৰক দুই ধৰণে ভগাব পাৰি। এবিধত গৰখীয়াসকলৰ মাজত লগা কাজিয়া-নিন্দা আদিৰ আভাষ পোৱা যায়। যেনে—

আলিৰে দোবেৰি কেকোৰা কেকুৰি
ভুঁইৰে দোবেৰি পোন।
চৰকাৰী গোপচাৰত নাঙেলী মাৰ্চো
মোৰ কানকটা কোন।।
আম গাছে বাঁহা দিলো আমদেলি পিপিৰা
জাম গাছে বাঁহা দিলো টিয়া
লাগাঝি লাগ্‌বি ভাল্‌কে লাগ্‌বি
বাপে ভায়েৰাৰ কিৰা।।

(চহৰীয়া ঃ ২০০৭ ঃ ২১৬)

আনবিধত গৰখীয়াসকলে কোনোবা গাভৰুলৈ প্ৰেম নিবেদন কৰে কিছুমান নাঙলীত গাভৰুৱে গৰখীয়াৰ প্ৰেমক হেয়জ্ঞান কৰাৰ কথাও উল্লেখ আছে----। যেনে----

আমৰে গাছতে কুলিয়ে বিনালে
বিচেৰী লগৰ লগৰী।
গৰু চাৰি থাকোতে তোলৈ মনত পৰে
মৰো ছাতি-ফুটি কৰি।।

আলি চাতি গেলো থোহা পাতি গেলো
থোহাতে লাগিলে মাওৰ
এইগিতা লিকিবাক কিবা দেওৰে ধৰছি
টাঙানে টোকেনে আগুৰ।

নাঙেলী গীতবোৰক লালিলাং বুলিও কোৱা হয়। গৰখীয়াইঁতে লালীলাং এইদৰে গায়—

লালিলাং লউতুলি লালিলাং কউ বুলি
লালিলাং নাগাৰা কিয়া।
লালিলাং নাজানা লালিলাং নুবুজা
থিয়ৈ থিয়ৈ নমৰা কিয়া।

'নাঙেলী'বোৰ গাওঁতে কেতিয়াবা এজন গৰখীয়াই গীতবোৰ আগে আগে গাই যায় আৰু বাকীবোৰে কেৱল প্ৰতিটো চৰণৰ অন্তত 'কহকৈ, লহকৈ' বুলি কয়। সেইদৰে তৃতীয় আৰু ষষ্ঠ চৰণত 'কি কহকৈ লহকৈ' বোলাৰ লগতে শেষৰ শব্দটো উচ্চাৰণ কৰে। কোনোৱে এনেবোৰক ঠাৰ বুলিও কয়। ঠাৰ মানে সাংকেতিক ভাষা। অৰ্থাৎ অন্য লোকে বুজি নোপোৱাকৈ সংকেততে কোৱা কথা। যেনে—

ইয়োডাল শিমেলি— কহকৈ লহকৈ
সিয়োডাল শিমেলি— কহকৈ লহকৈ
কোনেনো মাক কাটাই— কহকৈ লহকৈ আছে।
তোৰে বৈনাৰে— কহকৈ লহকৈ
চহৰখান ঘূৰ্‌ছি— কহকৈ লহকৈ
কোনেনো নাজানাই— কহকৈ লহকৈ কি কহকৈ
লহকৈ আছে।

আনপক্ষ গৰখীয়াই উত্তৰ দিয়ে—

হিদলতলী এলেঙা — কহকৈ লহকৈ
হিদলতলী পিলিঙা— কহকৈ লহকৈ
হিদলতলী আছিলা— কহকৈ লহকৈ চাই।
বাপেৰাৰ মুখতে— কহকৈ লহকৈ
মাৰে হাগিলা— কহকৈ লহকৈ
আৰা পিঠাগুৰি— কহকৈ লহকৈ কি কহকৈ
লহকৈ খায়।

সেইদৰে—

আহুতলীৰ চপৰা— তা হাতী হাতীয়াওঁ
বাপেৰে হ'ল দমৰা— তা হাতী হাতীয়াওঁ
মাৰে হ'ল কাজেলী— তা হাতী হাতীয়াওঁ
তা হাতী হাতীয়াওঁ গাই।
বৰ ডোঙাৰ কাষেদি— তা হাতী হাতীয়াওঁ
চেখুৰি চেখুৰি— তা হাতী হাতীয়াওঁ
মাৰেক খেদি লৈ— তা হাতী হাতীয়াওঁ
তা হাতী হাতীয়াওঁ যায়।

এই নাঙেলীবোৰত ব্যৱহাৰ হোৱা 'কহকৈ লহকৈ', 'তা হাতী হাতীয়াওঁ' আদি শব্দবোৰ অৰ্থহীন।

নাঙেলী গীতৰ ভাষা সহজ-সৰল। ই সম্পূৰ্ণ দৰঙী ৰাইজৰ কথিত বা মুখৰ ভাষা। নাঙেলী গীতত বহুতো দৰঙী শব্দ ব্যৱহাৰ হৈ আছে। যেনে—

| গীতৰ শব্দ | আধুনিক শব্দ |
|---|---|
| কিৰা | শপত |
| লাগ্‌বা | লাগিব |
| খাগেই | খোৱাগৈ |
| ভোথেৰি | জাৰি |
| পেল্লা | পেলালে |
| গেল | গ'ল |
| লিকিৰা | ল'ৰা |
| গুৰখীয়া | গৰখীয়া |
| ঝিয়া | ছোৱালী |
| এৰ্‌বা | এৰিব |
| কুঁইহাৰ | কুঁহিয়াৰ ইত্যাদি। |

'নাঙেলী' গীত মুখে মুখে চলি অহা বাবে ইয়াৰ ৰচক কোন জনা নাযায়। অথবা কেতিয়া ৰচনা হৈছিল সেইকথাও ঠাৱৰ কৰিব নোৱাৰি। ইয়াৰ পৰিমাণ কিমান সেই কথাও অনুমান কৰিব নোৱাৰি। তথাপি নাঙেলী গীতত 'নাঙেলী' ওঠৰ কুৰি বুলি উল্লেখ আছে। অৱশ্যে বেছিও হ'ব পাৰে।

নাঙেলী একুৰি নাঙেলী দুকুৰি
নাঙেলী ওঠৰ কুৰি।
ইপাৰৰ গৰখীয়াই হাতযোৰ কৰ্‌ছো
নাঙেলী নামেৰ্‌বা বুলি।।

গৰখীয়া ল'ৰাই গোৱা বাবে নাঙেলী গীতবোৰত নৈ, পাহাৰ,